REFERENCE
(Not for Issue)

Reading Only Inside Library

**ASSAM**
**LEGISLATIVE ASSEMBLY**
**DEBATES**

# OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

# BUDGET SESSION

## VOL. VII

**NO. 6**

The 15th March, 1985

1987

Printed at Assam Govt. (Mini) Press, Dispur, Guwahati-781006

REFERENCE
(Not for Issue)
Reading Only Inside Library

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1985

(Budget Session)

**Volume VII**

No. 6

Dated, the 15th March, 1985

Contents


| | Contents | Pages |
|---|---|---|
| 1. | Questions ... ... ... | 1—12 |
| 2. | Miscellaneous ... ... | 12—16 |
| 3. | Calling Attention Notice ... ... | 16—17 |
| 4. | General Discussion on the Budget ... | 17—26 |
| 5. | Adjournment ... ... ... | 27 |

Proceedings of the Seventh Session of the Assam Legislative Assembly assembled after the Seventh General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Friday, the 15th March, 1985 with the Hon. Speaker in the Chair, 17 (Seventeen) Ministers, 12 (Twelve) Ministers of State and 43 (Forty-three) Members present.

## STARRED

## QUESTIONS AND ANSWERS

( To which oral replies were given )

Date : 15th March, 1985

### Re : **Tinsukia Subdivision**

Shri DILESWAR TANTI asked :

*32. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the Government proposes to declare Tinsukia Subdivision as a District soon ?

(b) If not, the reasons thereof ?

Shri HITESWAR SAIKIA (Chief Minister) replied :

32. (a)—No.

(b)—Government had already examined the question of reorganising Districts and Subdivisions in 1983. Government did not find any immediate reasons to create a District at Tinsukia.

Shri DILESWAR TANTI—Mr. Speaker Sir, whether Government is going to re-examine again and consider for declaring Tinsukia as because Tinsukia originally comprised of Sadiya and Tinsukia, both Subdivisions were within Tinsukia and so far population of these two Subdivisions are concerned, industrial areas are concerned and earning of the revenue of these areas are concerned, Tinsukia is no less important than any other Districts which have recently been declared as Districts. So, may I expect that the Government will re-consder the case of Tinsukia and take a decision soon ?

Shri HITESWAR SAIKIA (Chief Minister)—Sir, earlier Tinsukia and Dibrugarh, these two Subdivisions were part of Lakhimpur District. Consequently, Dibrugarh was declared District and Tinsukia became a Subdivision under it. Tinsukia is yet to complete the norms to be a District. So, Sir, it will take sometime more.

বিঃ গাওঁ পঞ্চায়ত সমবায় সমিতিৰ চেক্রেটাৰী

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

*৩৩। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) কেদাৰ মেনেজমেন্ট কাৰ্য্যালয়ৰ পৰা গাওঁ পঞ্চায়ত সমবায় সমিতিৰ চেক্রেটৰী সমূহ নিযুক্তি আৰু বদলি কৰা কথাটো সত্যনে ?

(খ) সমবায় বিভাগৰ এই কেদাৰ মেনেজমেন্ট বিভাগটোৰ ওপৰত নিয়ন্ত্রণ আছে নে ?

(গ) সমবায় বিভাগে এই কেদাৰ মেনেজমেন্টত নেৰাখি মহকুমা সমবায় বিষয়া সকলক ইয়াৰ দায়িত্ব দিব নোৱাৰি নে ?

শ্ৰীউপেন্দ্র দাস (সমবায় বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

৩৩। (ক) সত্য।

(খ) সমবায় আইন অনুসৰি সমবায়ৰ ওপৰত থাকিব লগীয়া নিয়ন্ত্রণ খিনি সমবায় বিভাগৰ আছে।

(গ) প্রশিক্ষণ দিয়াৰ পিচত গাওঁ পঞ্চায়ত সমবায় সমিতি বোৰত এই চেক্রেটৰী সকলক নিযুক্তি দিয়া আৰু তেওঁলোকক নিয়ন্ত্রণ কৰাৰ বাবে কেদাৰ মেনেজমেন্ট সমবায় খন গঠন কৰা হৈছিল। মহকুমা সমবায় বিষয়াক দায়িত্ব দিয়াৰ প্রশ্ন নুঠে।

Shri ALTAF HUSSAIN MAZUMDAR—Whether the Hon'ble Minister is aware of the fact that they are controlling the Co-operative Societies. The responsibility is of the District officials and for giving power to the Management in the matter of transfer and posting and other action regarding Secretaries, the control of the Co-operation Department has been lessened and efficiency has been deteriorating. Will the Hon'ble Minister, Co-operation please take initiative to give power to the District Co-operation Officer in respect of transfer and posting of Secretaries to make the Co-operation Department more effective?

Shri UPENDRA DAS (Minister, Co-operation)—Sir, this cadre management was formed to train up some boys to fit to employ in the Co-operative Societies at that time. At that time, this Cadre Management Society was given power to appoint, transfer and take any other action who were appointed to available Societies. The entire matter of transfer and posting of Secretaries by the Cadre Management Society is under consideration of the Government and also considering whether this Management Secretaries could be placed under the Co-operation Department as per rule.

শ্ৰীমথুৰা ডেকা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে চেক্ৰেটৰী সকলক কেদাৰ মেনেজমেণ্টে নিযুক্তি দিয়ে। চেক্ৰেটৰী সকলৰ ওপৰত অভিযোগ লৈ কেদাৰ মেনেজমেণ্টলৈ গলে নাকচ কৰে, এচিসটেণ্ট ৰেজিষ্টাৰেও নাকচ কৰে— এচিসটেণ্ট ৰেজিষ্টাৰৰ ওচৰত তেনে ব্যৱস্থা নাই। আকৌ মন্ত্ৰী মহোদয়ৰ ওচৰত আহিলে কয় ভাঙি দিব লাগে। এতিয়া কাৰ ওচৰত যাও ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মই আকৌ কৈছো কেদাৰ মেনেজমেণ্ট গঠন কৰাৰ পাচত এই চেক্ৰেটাৰী সকলক নিযুক্তি দিয়া হৈছিল। যেতিয়া শাস্তিমূলক ব্যৱস্থা কৰা হয় তেতিয়া পদলৈ নিযুক্ত কৰে। তেওঁলোকৰ নিযুক্তিত খেলিমেলি হৈছে। আমাৰ ওচৰলৈ আহি কয় চেক্ৰেটৰীয়ে বেয়া কাম কৰিছে। এনেদৰে বহুতো ক্ষেত্ৰত বেমেজালি হৈ আছে। আমাৰ একচন লবলৈ অসুবিধা হৈ আছে। কেদাৰ মেনেজমেণ্ট আছে কাৰণে তেওঁলোকৰ ব্যৱস্থা লোৱা আছে।

শ্ৰীমথুৰা ডেকা ঃ— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ঠিকভাবে কব পৰা নাই। তেখেতৰ বৃন্ধাৱস্থা বুলিয়েই বহুত চিন্তা কৰি থাকে। তেখেতৰ এই চিন্তা কেতিয়া শেষ হব ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, বৃন্ধ অৱস্থা সকলোৰে আহে বুঢ়াৰও কাম আছে। বুঢ়াই চিন্তা কৰি কাম কৰে। বুঢ়াই কেতিয়াও বেয়া কাম নকৰে।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুরী ঃ— অধ্যক্ষ মহোদয়, এই কেডার মেনেজমেন্টর অর্থ কি এবং এরা কি কাজ করেণ এবং থাকে কোথায় মন্ত্রী মহোদয় জানাবেন কি ?

উপেন্দ্র দাস (মন্ত্রী) ঃ— এই কেদার মেনেজমেন্ট হচ্ছে একটা অনুষ্ঠান। এদের কাজ হলো কো-অপারেটিপের সেক্রেটারীদেরে ভাল করে ট্রেনিং দিয়ে সোসাইটিতে নিয়োগ করা।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুৰী :— তাদের হেড্ কোয়ার্টার কোথায় এবং কোথায় গেলে তাদেরে পাওয়া যায় ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এদেয় হেড্ কোয়ার্টায় হলো খানাপায়াতে।

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, কেদাৰ মেনেজমেণ্টৰ একোজন চেক্ৰেটাৰীয়ে মাহে কিমান দৰ্মহা পায় সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, সেইটো অলপ দীঘলীয়া কথা।

মাননীয় অধ্যক্ষ :— তাৰ উত্তৰ নিদিলেও হব Please omit this question. You do not reqiure to know all these things.

শ্ৰীপূৰ্ণ বড়ো :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো জনাবনে যে, কিমান জন চেক্ৰেটৰীক ট্ৰেইনিং দিয়া হল, কিমান জনে কাম পালে আৰু কিমান জনে এতিয়া বহি আছে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৫ চনত কেদাৰ মেনেজমেণ্ট সমবায় সমিতি খন গঠন কৰা হয়। ১৯৭৫ চনৰ পৰা ১৯৮০-৮১ চনলৈকে মুঠ ৭০১ জন পশিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ ওপৰিও লিকুইদিশ্বনত যোৱা ৬৪ জন কৰ্ম্মচাৰীও আছে। তাৰে সৈতে ৭৬৫ জন হল। ইয়াৰ ভিতৰত প্ৰায় ৭৬ জনক নিয়োগ দিয়া হৈছে। বাকী সকলক দিব পৰা নাই।

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, কেদাৰ মেনেজমেণ্টত যি সকল চেক্ৰেটৰী আছে সেই সকলৰ বিৰোদ্ধে কিমান 'ক্ৰিমিনেল কেছ' আছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, তাৰ কাৰণে বেলেগ 'নটিচ' লাগিব।

শ্ৰীজয়নাল আবেদিন :— মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা বিধান সভাৰ সময়তো এই বিষয়ে এটা প্ৰশ্ন উত্থাপন কৰোতে মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়ে অনুসন্ধান কৰি জনোৱা হব বুলি কৈছিল। এই বিষয়ে কি হল জনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস :— মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যেই কৈছো যে, এই বিষয়ে 'প্ৰচেছ' হৈ আছে। গোটেই বিষয়টো বিত্ত বিভাগলৈ আহিছে। বিত্ত বিভাগৰ ফালৰ পৰা 'ক্লিয়েৰেন্স' পালেহে সেই মতে চাই মই কব পাৰিম।

## Re : **Inland Water Transport**

Shri MOHAMMAD ALI, asked :

*34. Will the Minister, Transport be pleased to state—

(a) The area covered by Inland Water Transport Department. in the districts of Barpeta, Goalpara and Dhubri ?

(b) The strength of the fleet within the District of Barpeta, Goalpara and Dhubri ?

(c) Whether it is possible to create a Division of Inland Water Transport Department comprising the area of the districts of Barpeta, Goalpara and Dhubri with its headquarter at Goalpara ?

Shri JAGANNATH SINHA (Minister, Transport) replied:

34. (a)—There are 5 numbers of Ferry services in the Districts of Barpeta, Dhubri and Goalpara viz. (1) Dhubri-Fakirganj, (2) Jogighopa Goalpara Pancharatna (3) Baghbor Goalpara, (4) Sontali-Bohori and (5) Bohori-Kachikata. These Ferry services cover the above locations as also the adjoining area of the Ferry Ghats in these three districts.

(b)—There are 2 numbers of wooden engine boats at Barpeta district, 4 numbers of steel vessels at Goalpara district and 4 numbers of wooden engine boats in the district of Dhubri.

(c)—At present the works relating to these ferries are looked after from the Division Headquarter at Gauhati. The opening of a new Division will depend upon future work-load of that area.

শ্ৰীমহম্মদ আলি ঃ— মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা, বৰপেটা আৰু ধুবুৰী এই তিনিখন জিলাৰ বেছি ভাগ যোগাযোগ জল পথেৰে সম্পন্ন হয়। গতিকে এই তিনিখন জিলাক সামৰি লৈ এটা 'ওৱাটাৰ ট্ৰেন্সপৰ্ট ডিভিজন' হোৱা উচিত আছিল। এই সম্পৰ্কে ইতিমধ্যে কিবা ব্যৱস্হা হাতত লৈছেনেকি ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, the Government is considering about this matter and I hope in the next financial year we will be able to open this.

শ্ৰীমথুৰা ডেকা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে বিভিন্ন ঠাইৰ কথাই কলে। মই সুধিব খুজিছো, গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটী আৰু ৰজাদুৱাৰলৈ যি ফেৰি চলে সেই বিলাক ইয়াৰ ভিতৰত নপৰেনেকি ?

শ্ৰীজগন্নথ সিংহ (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, পৰে।

শ্ৰীজয়নাল আবেদিন ঃ— মাননীয় অধ্যক্ষ মহোদয়, যোগীঘোপা-পঞ্চৰত্নৰ কমাৰ্চিয়েল চাৰ্ভিচ আজি এবছৰৰ মানৰ পৰা বন্ধ হৈ আছে সেই কথাটো আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ—মাননীয় অধ্যক্ষ মহোদয়, বন্ধ হোৱাৰ খবৰটো মোৰ হাতত নাই।

শ্ৰীজয়নাল আবেদিন ঃ— মাননীয় অধ্যক্ষ মহোদয়, কথাটো সচাঁ, আজি এবছৰ মানৰ পৰা তাত কমাৰ্চিয়েল চাৰ্ভিচ বন্ধ হৈ আছে।

Shri JAGANNATH SINHA (Minister, Transport)—Sir, this is probably not a fact because during the last devastating flood I personally had been there and I had seen passengers services are there. However, the matter will be looked into.

### Re : **Inland Water Transport Division**

Shri MOHAMMAD ALI asked :

*35. Will the Minister, Transport be pleased to state—

(a) Whether it is a fact that Government has created a Division of Inland Water Transport at Silchar ?

(b) If so, the area covered by the said Division ?

(c) What is the strength of the fleet within the Silchar Division ?

Shri JAGANNATH SINHA (Minister, Transport) replied :

35. (a)—Yes.

(b)—The Inland Water Transport Division, Silchar is to cover the whole of Cachar and Karimganj Districts.

(c)—The ferries are expected to be taken over from P. W. D. with effect from lst April 1985 only. The fleet position will be known only after take over.

### বি ঃ ডকাইতিৰ সংখ্যা।

শ্ৰীহেমেন দাসে সুধিছে ঃ

*৩৬। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৪ চনত অসমত কিমানটা ডকাইতি হৈছে ?
(জিলা ভিত্তিত সংখ্যা দিব)

(খ) সৰ্ব্বাধিক ডকাইতি হোৱা জিলা খনত ডকাইতি প্ৰতিৰোধৰ বাবে কেনে ধৰণৰ ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে:

৩৬। (ক) সৰ্ব্বমুঠ ৪০৫ টা ডকাইতি হয়। জিলা ভিত্তিত হোৱা ডকাইতিৰ সংখ্যা এনে ধৰণৰ:—

১। কামৰূপ—২৪ টা ২। বৰপেটা—৩৪ টা ৩। গোৱালপাৰা—২৭ টা ৪। ধুবুৰী—৩৪ টা
৫। কোকৰাঝাৰ—৩২ টা ৬। শোণিতপুৰ—৩৪ টা ৭। দৰং—৪৫ টা ৮। ডিব্ৰুগড়—১৬ টা
৯। লক্ষীমপুৰ—১২ টা ১০। শিৱসাগৰ—২ টা ১১। যোৰহাট—১৭ টা ১২। নগাও—৭৮ টা
১৩। কাৰ্বি আংলং—২১ টা ১৪। কাছাৰ—১৮ টা ১৫। কৰিমগঞ্জ—৭ ১৬। চৰকাৰী ৰেলৱে পুলিচ—৪ টা।

(খ) সৰ্ব্বাধিক ডকাইতি অৰ্থাৎ ৭৮ টা নগাওঁ জিলাত হয়।

ইয়াৰ প্ৰতিৰোধৰ বাবে নিম্নোল্লিখিত ব্যৱস্থা লোৱাৰ দিহা কৰা হৈছে:—

১। সততে ডকাইতি হোৱা অঞ্চলত পুলিচ আৰু গাওঁৰক্ষী বাহিনীৰ দ্বাৰা ঘূটীয়া পহৰাৰ ব্যৱস্থা।

২। ৰেলষ্টেচন, বাছষ্টেণ্ড আৰু ফেৰীঘাটত পোৱা সন্দেহজনক ব্যক্তিৰ ওপৰত খানা তালাচী চলোৱা আৰু চোকা দৃষ্টি ৰখা।

৩। ডকাইতি সংঘটিত অঞ্চলত পুলিচ পহৰা দিয়া।

৪। দোষী ব্যক্তিৰ বিৰুদ্ধে ইতিবৃত্তিমূলক খতিয়ান প্ৰনয়ন।

৫। সীমামুৰীয়া থানা সমূহৰ এলেকাত দুয়োখন থানাৰ ঘূটীয়া পহৰা আৰু দাগী ব্যক্তিৰ সম্পৰ্কে ৰাইজক অৱগত কৰোৱা।

৬। গোপন পহৰা।

৭। কুখ্যাত আচামী আৰু অচিনাকি ব্যক্তিৰ ওপৰত চোকা নজৰ ৰখা।

৮। চুৰিমাল গ্ৰহণ কৰা ব্যক্তিৰ ওপৰত নজৰ ৰখা ইত্যাদি।

শ্ৰীহেমেন দাস:— মাননীয় অধ্যক্ষ মহোদয়, কিছুমান ডকাইতক ৰাজনৈতিক দলৰ কৰ্ম্মী আৰু নেতাই থানালৈ যোৱাৰ পৰা বিৰত কৰি ৰখা কথাটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী):— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে 'স্পেচিফিক কেছ' দিলে ভাল হয়।

শ্ৰীহেমেন দাস:— মাননীয় অধ্যক্ষ মহোদয়, মই 'স্পেচিফিকেল্লি' কব নোখোজো। মাননীয় মুখ্যমন্ত্ৰীয়ে এই বিষয়ে নিজেও জানে আৰু বাতৰি কাকত বিলাকতো এই বিষয়ে নানান ধৰণৰ বাতৰি আদি পৰিবেশিত হৈ গৈছে। কোন ডকাইত কোন এম, এল, এৰ ঘৰত আছে সেইটো ৰাজহুৱা স্বাৰ্থৰ খাতিৰতে বেকত কৰিলে ভাল হব।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী):— মাননীয় অধ্যক্ষ মহোদয়, ডকাইত যি দলৰেই নহওঁক লাগিলে, সকলোৱে সমান শাস্তি পাবই লাগিব। এই বিষয়ে পুলিচ বিভাগক উপযুক্ত নিৰ্দ্দেশ দিয়া আছে।

Shri BENAI KHUNGUR BASUMATARI—Sir, will the Chief Minister confirm that in the September Session I had brought to notice about a dacoit who brcke the

police lock-up at Paneri ? Is the Chief Minister aware that this person after committing seven dacoities was again apprehended last month ?

Shri HITESWAR SAIKIA (Chief Minister)—That may be Sir.

শ্ৰীচিলভিয়াচ কন্দপান :— অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ উত্তৰৰ পৰা জানিব পৰা গল যে সৰ্ব্বাধিক সংখ্যা ডকাইটি নগাওঁ জিলাতে সংঘটিত হৈছে আৰু তাৰ পিচতে দৰং জিলাত সংঘটিত হৈছে। যোৱা বছৰটোত মই নিজে জিলা কৰ্ত্তৃপক্ষৰ লগত ডকাইটি ৰোধ কৰাৰ কাৰণে কেবাবাৰো যোগাযোগ কৰিছো কিন্তু জানিব পাৰিছো যে যথেষ্ট সংখ্যক পুলিচ নথকা বাবে অসুবিধা হৈছে। মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছো যে সৰ্ব্বাধিক ডকাইতি হোৱা ঠাই বিলাকৰ কাৰণে পুলিচৰ সংখ্যা বঢ়াই হলেও ডকাইটি ৰোধ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— ডকাইটি বেছি হোৱা ঠাই বিলাকত বিশেষ ব্যৱস্থা লোৱা হৈছে আৰু চোকা নজৰ ৰখা হৈছে। ইতিমধ্যে আউট-পোষ্ট আৰু থানাৰ সংখ্যাও বঢ়াই দিয়া হৈছে।

Shri BENAI KHUNGUR BASUMATARI—Sir, Darrang is second, that is our District. But when the police people want to apprehend a dacoit they do not have vehicles. Their jeeps are so rotten that by the time the jeeps are made serviceable the dacoits are several miles away. Will the Chief Minister take steps to provide them with good vehicles ?

Shri HITESWAR SAIKIA (Chief Minister) :—Sir, steps are taken to provide jeeps to all the thanas and the old Jeeps will be replaced.

শ্ৰীমৌলানা আব্দুল জলিল চৌধুরী :— অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী মহোদয় যতটা ডাকাতির হিসাব দিয়েছেন তার কতটা ডাকাত পুলিশ এখন পর্যন্ত ধরতে সক্ষম হয়েছে তা মন্ত্রী মহোদয় জানাবেন কি ?

Shri HITESWAR SAIKIA (Chief Minister) :—Sir, that information is not with me now.

শ্ৰীচিৰাজুদ্দিন আহমেদ :— অসমৰ বাহিৰৰ পৰা ডকাইটি কৰিবলৈ অহা কথা চৰকাৰে জানেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— দুই এটা ডকাইটি ধুবুৰী আৰু কৰিমগঞ্জত বাহিৰৰ পৰা অহা লোকে কৰা আৰু বাকী বিলাক স্হানীয় মানুহে কৰা বুলি খবৰ পাইছো।

শ্ৰীচিৰাজুদ্দিন আহমেদ :— ধুবুৰী জিলা এলেকাত সন্ত্ৰাসৰ সৃষ্টি কৰিছে সেই ফাললৈ চাই তাত বিশেষ ব্যৱস্হা লোৱাৰ দিহা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— সেইমতে লোৱা হৈছে।

## Re : **Bridge over Kaldia**

Shri AMIR HAMCHA TALUKDAR asked :

*37. Will the Minister, P.W.D. be pleased to state—

(a) What would be the total cost to construct the Bridge over the Kaldia river through the Debradi Fingua P.W.D. road ?

(b) Whether the Government have any proposal to construct this Bridge within this financial year ?

Smti. SYEDA ANWARA TAIMUR (Minister, P.W.D.) replied:

37. (a)—Rs. 5·60 lakh·

(b)—No .

শ্ৰীআমীৰ হামচা তালুকদাৰ ঃ— অধ্যক্ষ মহোদয়, আগতে এই পবিত্ৰ সদনত এই দলঙৰ কথাটো উত্থাপন কৰোতে মন্ত্ৰী মহোদয়াই প্ৰপ'জেল নাই বুলি উত্তৰ দিছিল সেই কাৰণে এইবা পবিত্ৰ সদনত প্ৰশ্ন উত্থাপন কৰিছো। এই ৰাস্তাটো ১৯৫৭ চনতে হৈছিল অথচ কালদিয়া নদীৰ এই দলঙ খন হোৱা নাই। এই বছৰত কৰা হব বুলি মন্ত্ৰী মহোদয়াই জনাবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (গড়কাপ্তানী মন্ত্ৰী) ঃ— আমাৰ ৰেকৰ্ডমতে ৰাস্তাটো ১৯৫৮ চনত হৈছিল আৰু ৰাস্তাটোৰ ওপৰত দুখন দলঙৰ প্ৰয়োজন। টিহু আৰু কালদিয়া দুখন দলঙৰ প্ৰয়োজন। এই দলংখন পাৰ হৈ যোৱা বিত্তীয় বছৰত কৰিব পৰা নহল। টিহুৰ দলংখনো যোৱা বান-পানীত নষ্ট হৈছে সম্প্ৰতি মেৰামতি কৰাৰ কাৰণে দিহা কৰা হৈছে।

শ্ৰীআমীৰ হামচা তালুকদাৰ ঃ— যোৱা বছৰ দলংখনৰ কাৰণে টকা দিয়া হৈছিল যদিও আচলতে দলং খন হোৱা নাই। কালদিয়াৰ দলংখনো হোৱা নাই, টিহুৰ খনো হোৱা নাই।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (গড়কাপ্তানী মন্ত্ৰী) ঃ— যি খন দলঙৰৰ কথা কৈছে সেইখন যোৱা বানপানীত নষ্ট হৈছিল। ৰাস্তাটোৰ ওপৰত দুখন দলঙেই লাগে। যিখন দলঙৰ কথা কৈছে তাৰ কাৰণে পাচ লাখ ষাঠি হাজাৰ টকা লাগিব। এই বছৰৰ বাজেটৰ পৰা সম্ভৱপৰ নহব। অহা বছৰৰ পৰা কৰাৰ চিন্তা কৰিছো।

### বি ঃ গোৱালপাৰা মহকুমা পৰিষদ।

শ্ৰীমহম্মদ আলীয়ে সুধিছে ঃ

*৩৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোৱালপাৰা মহকুমা পৰিষদৰ পুঁজিৰ ধন আত্মসাৎ কৰাৰ বিৰুদ্ধে দাখিল কৰা এখন এজাহাৰৰ ব্যৱস্থা গোৱালপাৰা থানাই ললেনে নাই চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে এই এজাহাৰৰ ওপৰত বিহিত কি ব্যৱস্হা লোৱা হৈছে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মূখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৮। (ক) আৰু (খ) হয় জানে।

উক্ত অভিযোগ তদন্ত কৰাৰ পিছত চৰকাৰী উকিল তথা Public Prosecutor লৈ তেওঁৰ মতামতৰ বাবে দিয়া হয়। তেখেতে হিচাব পৰীক্ষকৰ প্ৰতিবেদনৰ পৰা প্ৰতিবছৰে কিমান টকা আত্মসাৎ কৰা হল তাৰ এটা হিচাব বিচাৰিছে। উক্ত বিষয়টো বৰ্ত্তমান সংশ্লিষ্ট হিচাব পৰীক্ষকৰ বিবেচনাধীন হৈ আছে। বৰ্ত্তমানলৈকে সন্দেহযুক্ত কোনো ব্যক্তিৰ বিপক্ষে একো ব্যৱস্হা লোৱা হোৱা নাই।

শ্ৰীমহম্মদ আলী ঃ— গোৱালপাৰা মহকুমা পৰিষদে যিখন এজাহাৰ দাখিল কৰিছিল সেইখন অসম চৰকাৰৰ বিত্ত বিভাগ আৰু পঞ্চায়ত বিভাগৰ নিৰ্দ্দেশ মতে কৰিছিল বুলি মূখ্যমন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মূখ্যমন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এইটো কাৰ নিৰ্দ্দেশ মতে কৰা হৈছিল নাজানো কিন্তু আমাৰ হাতত থকা ৰিপোৰ্ট মতে মাননীয় সদস্য গৰাকীয়ে থানাত আপত্তি দৰ্শাইছিল আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই কেচ আৰম্ভ হৈছিল।

শ্ৰীমহম্মদ আলী ঃ— অসম চৰকাৰৰ পৰা এজাহাৰ দিয়াৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছিল আৰু সেই কাৰণে সোনকালে ব্যৱস্হা লোৱাৰ কাৰণে চৰকাৰে বিহিত ব্যৱস্হা হাতত লবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মূখ্যমন্ত্ৰী) ঃ— বিষয়টো আমাৰ দৃষ্টিগোচৰ হৈছে যেতিয়া ব্যৱস্হা লোৱা হব।

বি ঃ হাট-ঘাট আদিৰ ডাক

শ্ৰীমহম্মদ আলীয়ে সুধিছে ঃ

*৩৯। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৪ চনত হাট-ঘাট বিল আদিৰ ডাকৰ পৰা গোৱালপাৰা মহকুমা পৰিষদে কিমান টকা পালে ?

(খ) হাট-ঘাট বিল আদি ডাকৰ পৰা পোৱা টকাৰ গাওঁ পঞ্চায়তৰ অংশ কিমান আৰু মহকুমা পৰিষদৰ অংশ কিমান ?

(গ) হাট-ঘাট বিল আদিৰ ডাকৰ পৰা গাওঁ পঞ্চায়ত সমূহে উক্ত বছৰত পাব লগা টকাৰ অংশ গোৱালপাৰা মহকুমা পৰিষদে কেতিয়া আদায় দিলে ?

শ্ৰীতিলক গগৈ (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৯। (ক) ১৯৮৪-৮৫ চনত (পঞ্চায়তৰ বিত্তীয় বছৰত) হাট-ঘাট বিল আদি মুঠ ৩,৯৮,৭১৪·৮৭ টকাত বন্দবস্তি দি কিস্তিৰ ধন হিচাবে ৩,৫৭,৬৫৯·৯৩ টকা পালে।

(খ) গাওঁ পঞ্চায়তৰ অংশ ২,৫২,৪৪৭·৯৩ টকা আৰু মহকুমা পৰিষদৰ অংশ ১,০৫,২১২.০০ টকা।

(গ) ১৯৮৪ চনৰ জুলাই আৰু নবেম্বৰ মাহত আৰু ১৯৮৫ চনৰ জানুৱাৰী মাহত।

শ্ৰীমহম্মদ আলী ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি যে, গোৱাল-পাৰা মহকুমা পৰিষদৰ পৰা হাট-ঘাট-বিল বজাৰৰ টকা পঞ্চায়ত সমূহক দিছেনে ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (পঞ্চায়ত মন্ত্ৰী)ঃ— এতিয়ালৈকে মোৰ হাতত যিখিনি তথ্যপাতি আছে তাৰ পৰা মই জনাওঁ যে হাট-ঘাট-বিল বজাৰৰ বাবে কিছু টকা আদায় দিছে। এতিয়ালৈকে দিয়া টকা খিনি গোৱালপাৰা মহকুমা পৰিষদে তিনিটা কিস্তিত দিছে।

শ্ৰীমহম্মদ আলী ঃ— হাট-ঘাট আদিৰ ১৯৮৪ চনৰ কাৰণে সম্পূৰ্ণ টকা দিয়া নাই কাৰণে পঞ্চায়ত কৰ্ম্মচাৰীকো দৰমহা আদি দিয়া হোৱা নাই। এইটো এটা অপৰাধ। মন্ত্ৰী মহোদয়ে হাট-ঘাট আদিৰ পইচা সম্পূৰ্ণকৈ দিয়াৰ ব্যৱস্থা লব নেকি ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (পঞ্চায়ত মন্ত্ৰী) ঃ— সৰ্ব্বসাধাৰণতে জুন মাহত হাট-ঘাট আদিৰ টকা সংগ্ৰহ হয় আৰু টকাটো মাহে মাহে ইনকাম হয়। মহকুমা পৰিষদৰ অংশটো তেতিয়াহে দিব পাৰে। মহকুমা পৰিষদকো একেলগে দিব নোৱাৰে। এই বছৰৰ কাৰণে কেতিয়া দিয়ে তাৰ স্থিৰতা নাই। মই মাননীয় সদস্য গৰাকীয়ে যেতিয়া কৈছে এই বিষয়টো চাম।

শ্ৰীঅলিত বড়ো ঃ— হাট-ঘাট আদি ডাক দিয়াৰ ক্ষেত্ৰত জনজাতীয় লোকৰ কাৰণে কিবা ৰেহাই আছে নেকি যদি আছে শতকৰা কিমান মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (পঞ্চায়ত মন্ত্ৰী) ঃ— শতকৰা সাৰে সাত টকা ৰেহাই দিয়া হয়। মহকুমা পৰিষদে কোন স্থানীয় পাৰ্টিক দিলে টকাটো ৰিয়ালাইজ হব সেইটো চাই ৰিকমেণ্ড কৰে। কেৱল সৰ্ব্বোচ্চ ডাক দিওঁতাজনক দিয়া নহবও পাৰে। সেইটো নিৰ্ভৰ কৰিব এগ্ৰিমেণ্ট আৰু টাৰ্মচ এণ্ড কণ্ডিচন আৰু মহকুমা পৰিষদৰ ৰিক'মেণ্ডেশ্যনৰ ওপৰত।

শ্ৰীফরমান আলী ঃ— অধ্যক্ষ মহোদয়, এই হাট-বাজার গুলি নিলাম করে যাদের নামে বন্দোবস্ত দেওয়া হয় তাদের কাছ থেকে তিন মাসের কিস্তি অগ্রিম নেওয়া হয়ে থাকে। এমতাবস্হায় মহকুমা পরিষদ থেকে গাওপঞ্চায়ত গুলিতে তাদের টাকা জুন মাসে আসবে কেন ? মার্চ মাসে তাদের টাকা না দেওয়ার কি অসুবিধা আছে মন্ত্রী মহোদয় জানাবেন কি ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (পঞ্চায়ত মন্ত্ৰী) ঃ— সাধাৰণতে চেল নোটিচ দিয়া হয় তাত টাৰ্মচ এণ্ড কণ্ডিচন থাকে সেই মতে টেণ্ডাৰ কল কৰা হয়, এডভান্স আৰু মাটি আদি মৰ্টগেজ দিয়াৰ কথা আছে। সেই বিলাকৰ ওপৰত নিৰ্ভৰ কৰে।

শ্ৰীজগত পাটগিৰি ঃ— গাওঁ পঞ্চায়তৰ কৰ্ম্মচাৰী সকলে দৰমহা পোৱা নাই। তাৰ কাৰণে চৰকাৰে খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিবনে ?

Mr. SPEAKER—I am surprised to see that the Hon'ble Member puts the question direct and the Hon'ble Minister also replies direct. You please put the Supplementaries through me, otherwise, I will not direct the Minister to reply.

শ্ৰীজগত পাটগিৰি ঃ— ২৩—২৪ মাহ ধৰি কৰ্ম্মচাৰী সকলে দৰমহা পোৱা নাই। মাননীয় সদস্য মহম্মদ আলী ডাঙৰীয়া প্ৰশ্ন কৰিছে কাৰণে মইও এই কথাটো [illegible]

শ্ৰীতিলক চন্দ্ৰ গগৈ (পঞ্চায়ত মন্ত্ৰী) :— মাননীয় সদস্য দৰমহা নোপোৱাৰ কথাটো যে কৈছে সেইটো ঠিকেই। কিন্তু বেলেগ প্ৰশ্ন নিদিলে সেই সম্পৰ্কে কোৱা টান হব।

Shri BINAI KHUNGUR BASUMATARI—To avoid the difficulty, the Government may perhaps put a new Bill to change the constitution of the Panchayat ;

শ্ৰীতিলক চন্দ্ৰ গগৈ (পঞ্চায়ত মন্ত্ৰী) :— বিবেচনা কৰা হব।

শ্ৰীমথুৰা ডেকা :— মইও পঞ্চায়ত কৰ্ম্মচাৰী সকলৰ দৰমহা নোপোৱাৰ সংক্ৰান্তত প্ৰশ্ন তুলিব খুজিছিলো এতিয়া মন্ত্ৰী ডাঙৰীয়াই বা কি কয় ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (পঞ্চায়ত মন্ত্ৰী) :— প্ৰশ্নটো গোৱালপাৰা মহকুমা পৰিষদৰ সম্পৰ্কে। ইয়াৰ বাহিৰে অন্য ইন্‌ফৰমেশ্যন নাই। বেলেগ প্ৰশ্ন কৰিলে উত্তৰ দিব পৰা হব।

## MISCELLANEOUS

Shri ABDUL MUHIB MAZUMDAR. (Minister) :— Before other items are taken, I would like to raise a question of privilege with the permission of the Hon'ble Speaker. The matter is extremely urgent, and that is why, I am taking resort to Rule 161 (proviso). Under this provision, any matter pertaining to privilege of the House with the permission of the Hon'ble Speaker may be raised. Sir, I am placing on the Table of the August House a copy of a daily newspaper the Sentinel published from Guwahati, dated 14th March 1985. In the editorial column of this paper, certain matters and opinions have been expressed which are not only scurrilous but also defamatory and most tendentious so much so that they lower the prestige of the House. It is true that in the floor of the House several matters are to be discussed about the Government policies mistakes or errors here and there may be pointed out. But to generalise the entire issue may lower the prestige of the MLAs. It has been expressed that the persons like MLAs of this Hon'ble House are appointing persons, though they themselves are not eligible for jobs. Such scurrilous remarks and other suggestions have been made.

Sir, that a comment has been made regarding the appointment of teachers. Sir, it is said that the appointment of teachers has flouted the civilized norms and democrecy", Sir, this is not the only instance. There are other instances and we all know that they have got the

freedom to report the correct thing. But the way it has been commented is really derogatory to the Hon'ble Members of this House. Sir, there are other matters which were raised by some members of the House yesterday but it came out in the paper in a different way. Then, Sir, the matter raised related says the Silchar Circuit House but the paper says it took place at Gauhati Circuit House, which is absolutely false. Sir, it is true and as I have said they have got the freedom. But similarly the Hon'ble Members of this House have also got the freedom. There is a limit of everything and this House cannot be put at ransom by such paper. But such comments have lowered the prestige of the Hon'ble Members of this House. The way in which the insinuated remarks have been made is really derogatory to the prestige of the Hon'ble Members and this House. I, therefore, request the Hon'ble Speaker to fix up a date for discussion as it is a breach of privilege of this House and is a fit case to refer it to the Privilege Committee. Sir, I am placing the copy of the News paper on the Table of the House.

Shri BINAI KHUNGUR BASUMATARY :— Sir, from the side of opposition, we support this.

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইবাৰ আমাৰ বিধান সভাৰ ৰুলিং পাৰ্টিৰেই হওক বা অপজিচন পাৰ্টিৰেই হওক সকলো সদস্যকেই আমি কিছুমান দায়িত্ব দিছো। স্কুলৰ নিয়োগৰ ক্ষেত্ৰতেই হওক বা আই, আৰ, ড, পি বা ডি, আৰ, ডি, এ ইত্যাদিত বিধায়ক সকলক সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ দিয়াই নহয় তেওঁলোকক কতৃত্বও দিয়া হৈছে। যাতে তেওঁলোকেও কাম কৰিব পাৰে। সেই উদ্দেশ্যৰে এই দায়িত্ব দিয়া হৈছে। বহুত ঠাইত হয়তো কাম হোৱা নাই কিন্তু বহুত ঠাইত কামও হৈছে। কিন্তু আমাৰ বাৰ্তাৰ কাকতৰ স্বাধীনতা আছে বুলিয়েই তেখেত সকলে এই স্বাধীনতাতো যি কোনো ক্ষেত্ৰতেই যি কোনো প্ৰকাৰে ব্যৱহাৰ কৰিব নোৱাৰে। আমাৰ হাউচত যি প্ৰিভিলেজ আছে ঠিক তেনেকৈ তেওঁলোকৰও স্বাধীনতা আছে। কিন্তু এই এডিটৰিয়েল কলমত এনেকুৱাকৈ লিখা হৈছে যেন ইয়াত এজনো বিধায়ক বাদ পৰা নাই, এজন বিধায়কেও পইচা খোৱা নাই। কৰবাত দুই এজন মানুহ বেয়া হব পাৰে কিন্তু সেই বুলি গোটেই সমাজখনকেই দোষাৰোপ কৰিবলৈ বাৰ্তাৰ কাকতে এই স্বাধীনতা কত পালে? যিহেতুকে আমাৰ এই বিধান সভাৰ সদস্য সকল বিভিন্ন কমিটিত সদস্য হৈ আছে, উপাধ্যক্ষ মহোদয় নিজে কমিটিৰ চেয়াৰমেন হৈ আছে, বহুত ঠাইত মন্ত্ৰী সকলে অংশ গ্ৰহণ কৰি আছে এনে ক্ষেত্ৰত কাগজখনত সকলো সদস্য আৰু মন্ত্ৰীৰ ওপৰত দোষাৰোপ কৰিছে, সাধাৰণ লোক চকুত হেয় কৰিছো। গতিকে এইটো এটা ফিট কেচ হৈছে ব্ৰিচ অব প্ৰিভিলেজৰ কাৰণে।

---

শ্ৰীহেমেন দাস :— অকল আমাৰ সদনতেই নহয়, পৃথিবীৰ কোনো দেশৰেই চৰকাৰী সকলো চাৰ্কিয়াল দুনীতি পৰায়ণ হব নোৱাৰে। কিন্তু এই সদনৰ বিধায়ক হিচাবে আজি মই তাৰ ভিতৰত পৰিছো। বাৰ্তাৰ কাকতে স্বধীনতা বিচাৰে কিন্তু আচৰিত কথা যে এই সদনতেই কুমুদ শৰ্ম্মাৰ কথাটো প্ৰমাণ সহ উত্থাপন কৰাৰ পাচতো বাৰ্তাৰ কাকতত সেই খবৰ কিয় নোলাল? সমৰ্থন কৰিছো এই বিষয়টো গ্ৰহণ কৰিব লাগে।

Shri BENOY KUMAR BASUMATARY :— Sir, since this has occurred and raised before the House and all section of the Hon'ble Members of this House have supported it, I think it is a fit case of breach of privilege and under Rules 161, 158 & 159 we can move the matter for breach of privilege of the House.

Shri DEVANANDA KONWAR :— Mr. Speaker, Sir, I would request the Hon'ble Minister-in-charge of Parliamentary Affairs to place the paper and the very portion which constitutes the breach of privilege. Sir, let us hear the portion that constitutes the breach of privilege, Sir, he has read out only one sentence. I would, therefore request the Hon'ble Minister for Parliamentary Affairs to read out the entire portion

Shri ABDUL MUHIB MAJUMDAR (Minister):— Mr. Speaker, Sir, a question of breach of privilege of the House has arisen because of the comments of the paper and under Rule 162 of the Rules and procedure of the House we can move a motion of breach of privilege of the House. Sir, this has arisen because of the scurrilous remarks and false codemnation of the Hon'ble Members of the House. Therefore, sir, on this point there has been a breach of privilege of the Hon'ble House. A copy of the paper is already placed by me on the table of the House. Now, the Hon'ble Speaker will fix up a date conveniently for discussion under Rule 162 of the Rules & Procedure of the Assam Legislative Assembly. Then, Sir, the Hon'ble Members of this House will be able to know the news item when the entire issue will be coming before the House. I am therefore, requesting the Hon'ble Speaker to fix up a date for discussion. Sir, you will kindly see that the entire House is unanimous on this point as it consitutes false condemnation of the Hon'ble Members and this House. Sir, I am grateful to my friend Shri Hemen Das for raising one point which I will emphasise by way of supporting the motion. The Hon'ble members of the House will kindly observe the opinion about the legality with regard to the validity of the election held in 1983 and also with regard to the validity of the House. Cases were filed before the Hon'ble High Court. Cases filed, by the very persons who are opposed to the election opposed to the constitutional process Now cases filed were ultimately taken to the Supreme

Court and Hon'ble Members know that the Hon'ble Supreme, Court, the highest court of justice of the court held 1979 electoral roll as valid, the election held in 1983 valid and it follows by way of corollary the present Government is valid and legally installed Government. They remained silent for one week after the judgement was published on 20th September. There was no writing in any paper but slowly they started that it was an illegal Government. They took the case to Supreme Court, engaged the best of lawyers of the country and then started in their press. denegrating the constitutionally constituted Government Members of the Press are direct parties to this type of scurrilous activities. We could have taken the matter to the Supreme Court because it was a contempt of court. But the Chief Minister being so good with regard to press people we never thought of taking the matter to the Supreme Court. But now it appears that there will be no end of this, and that is why I am raising this, motion. Time has come when something should be done some hindrance, something of this sort must be put up so that they do not run amuck. The news was published about a matter which took place at Silchar, and now the same news has been published in an Assamese daily and as you know Sir, the paper is circulated in every nook and corner of the State, in the villages and they took that the incident took place at Gauhati in which one of the former Minister of State, Government of India and one Minister of this House are involved. You will kindly see Sir what will be the impact of this false and distorted news. Ordinary people and the commonmass will get completely swayed; what is this Government? I would submit Sir, this kind of writings are not only defamatory and scurrilous but there is a tendency to disturb the law and order. Because, the people will think that is no Government; they will also think that this is an illegal Government and how the citizens would be expected to respect and abide by the law enforced by this Government. So Sir, there is a tendency to disturb the tranquility and law and order of the State. This is a matter of utmost importance and urgency and this should be taken up and dealt with great caution with an amount of severity which it deserves.

শ্রীমৌলানা আব্দুল জলিল চৌধুরী :— অধ্যক্ষ মহোদয়, প্রিভিলেজ মোষন্ সমর্থন করে যদি কিছু না বলি কর্তব্যে অবহেলা হবে। তাই কয়েকটি কথা বলতে চাই। অধ্যক্ষ মহোদয়, আমরা এই বিধান সভায় বিধায়করা যে সব বক্তব্য দিয়ে থাকি তার 'রিপোর্ট' কখন কখন পত্রিকায় সঠিকভাবে

প্রকাশ করা হয় না। তারা (কোন কোন পত্রিকায়) প্রায়েই বিকৃতভাবে নাইবা ভিত্তিহীন কথা জানিয়া শুনিয়া উদ্ঘাটন করেণ। এইভাবে আমাদের বক্তব্য প্রকাশ করে জনসাধারণের কাছে আমাদেরকে হেয় প্রতিপন্ন করে থাকে।

স্যার, গত সেপ্তেম্বর 'সেসনে' আমার বক্তৃতায় আমাদের বর্তমান মুখ্যমন্ত্রী হিতেশ্বর শইকীয়া মহাশয়ের নামের বিন্নাস করে বলেছিলাম যে ঈশ্বর তাকে দেশ ও দেশের হীতের জন্য জন্ম দিয়েছেন। তাই তার মাতা পিতা নাম রেখেছেন হিতেশ্বর। কিন্তু যখন কোন কোন পত্রিকায় রিপোর্ট বের হলো তখন দেখা গেল যে আমি বলেছি— "উপরে ঈশ্বর নিচে হিতেশ্বর"। ইহাদ্বারা সাধারণ লোক আমাকে ইসলাম বহির্ভুত হয়ে গেলাম ভেবে তখন ধর্ম্মমতে হয়ত মুসলমান আমাকে হত্যা করতে পারে। তাই এই প্রকাশন দ্বারা আমাকে হত্যা করার চেষ্টা বললেও অত্যুক্তি হবে না। এমন্ সব বিকৃত রিপোর্ট পত্রিকায় আমরা গত ৩০ বত্সর যাবত কোন কোন সময় দেখে আসছি। সুতরাং এটা একটা সাংঘাতিক ব্রিচ্ অব প্রিভিলেজ এবং আইন মন্ত্রী মহোদয়ের জঙ্গে আমিও একমত যে এটাকে ব্রিচ্ অব প্রিভিলেজ হিসাবে গ্রহণ করার যোগ্য। ইহা গ্রহণ করে সংশ্লিষ্ট ব্যক্তিকে উপযুক্ত শাস্তি দেওয়া উচিত যাতে ভবিষ্যতে এই রকম রিপোর্ট পত্রিকায় বের না হয়।

Mr. SPEAKER - I hope, the hon'ble Members will agree that there is a prima facie case of breach of privilege. I therefore, fix up Monday the 18th March 1985 after the Question Hour, there will be a motion and that motion will be a breach of privilege.

Now item No. 2 Shri Hemen Das.

## CALLING ATTENTION

শ্রীহেমেন দাস :— অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ ৫৪ নং নিয়ম অনুসৰি ১৯৮৫ চনৰ ১৫ জানুৱাৰী তাৰিখৰ জন জীৱন কাকতত প্ৰকাশিত পশ্চিম মন্দিয়াত কুৰিদফীয়া আচনিৰ নামত শ্ৰমিক শোষণ শীৰ্ষক বাতৰিটোৰ প্ৰতি গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীৰ মনযোগ আকৰ্ষণ কৰিলো।

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি বিধান সভাৰ সদস্য শ্ৰীহেমেন দাসে দিয়া জাননী আৰু যোৱা ১৫ জানুৱাৰীৰ সপ্তাহিক 'জনজীৱন' কাকতত প্ৰকাশিত হোৱা "পশ্চিম মন্দিয়াত কুৰি-দফীয়া আচনিৰ নামত শ্ৰমিক শোষণ" শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

চৰকাৰে পোৱা প্ৰতিবেদন মতে ৰাষ্ট্ৰীয় ভূমিহীন বনুৱা নিয়োগ আচনিৰ অধীনত বান্ধিবলৈ লোৱা আলিটো সত্ৰকানাৰা এম, এন, পি, ৰাস্তাৰ পৰা গোবিন্দপুৰ ৰিজাৰ্ভলৈ। এই আলিটো মন্দিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত। এই আলি নিৰ্মাণৰ কাৰণে মুঠ খৰচ ৩ লাখ ৫০ হেজাৰ টকা মঞ্জুৰ কৰা হৈছে। এই আলিৰ নিৰ্মাণৰ কাম ১৪।১২।৮৪ তাৰিখৰ পৰা আৰম্ভ কৰা হৈছে আৰু তাত পশ্চিম মন্দিয়া, পূব মন্দিয়া, পূব জনীয়া, পশ্চিম জনীয়া গাঁও পঞ্চায়তৰ এলেকাৰ পৰা ১৬৪ জন শ্ৰমিক নিয়োগ কৰা হৈছে। কাম স্থায়ী ভাৱে তদাৰক কৰাৰ বাবে নিৰ্দ্দিষ্ট বিষয়াক দায়িত্ব দিয়া হৈছে। মাজে সময়ে প্ৰকল্প সঞ্চালকে নিজে কাম নিৰীক্ষণ কৰে।

কিছুদিন কাম কৰাৰ পিচত দেখা গল যে কিছুমান শ্ৰমিকে নিৰ্দ্দিষ্ট সময়তকৈ কম সময় কাম কৰে। সেই গতিকে খণ্ড উন্নয়ন বিষয়াই শ্ৰমিক সকলক সন্মুখত কামলৈ অহাৰ বাবে ২৪।১২।৮৪

তাৰিখে পৰামৰ্শ দিয়ে। এই খিনিতে উল্লেখ কৰিব পাৰি যে মন্দিয়া উন্নয়ন খণ্ডৰ বি, এল, চি, চি এ তেওঁলোকৰ ১২।১১।৮৪ তাৰিখে বহা সভাত দৈনিক নিম্নতম কামৰ পৰিমাণতহে প্ৰাৰিশ্ৰমিক দিবলৈ সিদ্ধান্ত লয়।

অনুসন্ধান কৰি জনা গৈছে যে ১০২ জন শ্ৰমিকে ২৫।১২।৮৪ তাৰিখৰ পৰা ৩১।১২।৮৪ তাৰিখলৈ নিৰ্দ্ধাৰিত ৮ ঘণ্টা সময়ৰ পৰিবৰ্ত্তে কম সময় কাম কৰাৰ কাৰণে তেওঁলোকক দিনমজুৰিৰ হ্ৰাস কৰি ১২ টকাৰ পৰিবৰ্ত্তে কিছুমানক ৭ টকা আৰু কিছুমানক ৮ টকাকৈ মজুৰি দিয়া হয়। শ্ৰমিক সকলক এই কামৰ চৰকাৰী নীতি নিয়ম বুজাই দিয়া হয় আৰু ১।১।৮৫ তাৰিখৰ পৰা সেই সকল শ্ৰমিকে নিৰ্দ্ধাৰিত সময় আৰু নিৰ্দ্ধাৰিত নিৰিখ মতে কাম কৰাৰ কাৰণে পুনৰ ১২ টকাকৈ মজুৰি পাইছে।

পশ্চিম মন্দিয়া গাঁও পঞ্চায়তৰ কাউন্সিলৰ আৰু সভাপতিয়ে শ্ৰমিক সকলক তেওঁলোকৰ কাৰ্ডসমূহ বাতিল কৰাৰ ভাবুকি দিয়াৰ কথা এতিয়ালৈকে চৰকাৰৰ অৱগত হোৱা নাই।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই কথাটো কোৱা নাই। এজন মজুৰীয়ে ৩ চি, এম, মাটি কাটিব লাগে। কিন্তু সেই ৩ চি, এম, মাটি কাটিবলৈ তেওঁ ৮ ঘণ্টা সময় হাজিৰা নষ্ট কৰে। কিয়নো আমাৰ কামৰূপতেই একোজন মজুৰীয়ে মাটি কাটি ৩৫.০০ টকালৈকে হাজিৰা পাইছে। তেওঁ ৮।১০ চি, এম, মাটি এদিনত কাটিব পাৰে। আজি কলিং এটেনচন দিয়াৰ কাৰণেই ভয়ত মজুৰীৰ পইচা খিনি দিছে। এই কাটনি ধন বন্ধ কৰাৰ কাৰণে বহুতে উঠি পৰি লাগিছে। অলপতে ৭৬ জন মজুৰীয়ে মন্দিয়াৰ পৰা বৰপেটালৈ গৈ বিক্ষোভ প্ৰদৰ্শণ কৰিছে। কিন্তু আচৰিত কথা ডি, চি, য়ে ইয়াৰ কোনো ব্যৱস্থা নললে। ৩ জানুৱাৰীলৈ মাত্ৰ ৭ টকাকৈ দিয়া হৈছিল। বিক্ষোভ প্ৰদৰ্শণ কৰাৰ পাচত ৩ জানুৱাৰীৰ পাচতহে ১২.০০ টকা মজুৰী পাইছে। এইটো কাটি ৰাখি জমা কৰি ৰখা বুলি কৈছে। সেইটো মিছা কথা। কলিং এটেনচন দিয়াৰ কাৰণেহে ভয়তে এই ব্যৱস্থা লৈছে। আগৰে পৰা এই ধৰণে কাটি আছে। গতিকে সংশ্লিষ্ট বিষয়াৰ ওপৰত যথাবিহিত ব্যৱস্থা লব লাগে।

## GENERAL DISCUSSION ON THE BUDGET

শ্ৰীজয়চন্দ্ৰ নাগবংশী :— অধ্যক্ষ ডাঙৰীয়া ইতিমধ্যে বাজেট সম্পৰ্কে মাননীয় সদস্য সকলে বহুত কথা দাঙি ধৰিছে। মই মাত্ৰ কেইটামান কথাহে দাঙি ধৰিব বিচাৰিছো। চৰকাৰে ইতিমধ্যে বিভিন্ন কাৰ্য্যসূচী হাতত লৈছে। আৰু সেইবোৰ ৰূপায়ণ কৰিবলৈ কুৰিদফীয়া আচনিৰ জৰিয়তে চেষ্টাও কৰিছে।

অধ্যক্ষ ডাঙৰীয়া, মই এটা কথাই কব খোজো যে চৰকাৰে কুৰিদফীয়া আচনিৰ জৰিয়তে দুখীয়া ৰাইজক সাহাৰ্য্য কৰা বুলি দাবী কৰিছে। চাৰ, আপুনি জানে চাৰকুল কমিটী বিলাকৰ বহুতো সদস্যই সভাপতি। মই নিজ হাতেই বহুতো ভূমিহীন মানুহক এচ, ডি, চি,ৰ জৰিয়তে এক বিঘাকৈ মাটিৰ পট্টন স্বৰজমিনত আৰু ৭৫০ টকাকৈ এককালিন সাহাৰ্য্য দিছো। কিন্তু কিছুদিনৰ পিচতেই আমি দেখিবলৈ পাইছো যে সেই মানুহবিলাক পুনৰ ভূমিহীন হৈ পৰিছে। তেওঁলোকে সেই মাটি বিলাক কিছুমান মহাজনৰ ওচৰত বিক্ৰী কৰি দিছে। মোৰ সমষ্টি আৰু ডুমডুমাত এনেকৈ বহুতো ভূমিহীন মানুহক মাটি আৰু টকা দিয়া হৈছিল কিন্তু সেই মাটি আজি আৰু তেওঁলোকৰ দখলত নাই। গতিকে চৰকাৰে লাখ লাখ টকা খৰচ কৰি মাটি দিছে আৰু সেই মাটি ধনী মহাজনৰ হাতলৈ গৈ আছে। সেই কাৰণে মই আপোনাৰ জৰিয়তে চৰকাৰক পৰামৰ্শ দিববিচাৰো যে তেওঁলোকক গাইগুটীয়াকৈ মাটি নিদি সমবায়ৰ জৰিয়তে মাটি দিব লাগে। এইটো কৰিলে তেওঁলোকে মাটি বিক্ৰী কৰিব নোৱাৰিব।

দ্বিতীয়তে এন, আই, ই, পি, ৰ জৰিয়তে বহুতকে কাম দিছে। কিন্তু কথা হ'ল তাতো নানা ধৰণৰ খেলি মেলি। আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাসে এই বিষয়ে কৈছেই। যিবিলাকে দিন মজুৰী কৰি আছে তেওঁলোকক সময় মতে মজুৰী দিব পৰা নাই। ফলত ৰিডি, অ, অফিচত বিক্ষোভ কৰিব লগা হৈছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ এই বিষয়ে নজৰ দিব লাগে। আনহাতে এন, আৰ, ই, পি, ৰ অন্তৰ্গত প্ৰাথমিক স্কুল সজোৱাৰ বাবে প্ৰথমে ৩০ হাজাৰ টকা দিছিল। এতিয়া ৪৫ হাজাৰ টকা দিছে। তথাপিও এতিয়া ঘৰ পকি কৰিব নোৱাৰা হৈছে।

অধ্যক্ষ মহোদয়, বাগানৰ স্কুল বোৰৰ অৱস্থা একেবাৰে বেয়া হৈছে। ৰাজ্যপালৰ ভাষণত এই বিষয়ে উল্লেখ নথকাটো বৰ পৰিতাপৰ কথা।

আমাৰ চৰকাৰে ইমান এটা ডাঙৰ কাম কৰাৰ পিছত এই গুৰুত্বপূৰ্ণ বিষয়টো ৰাজ্যপালৰ ভাষণত বাদ পৰি গৈছে। যিসকল বিষয়াৰ অসাৱধানতাত, অৱহেলাৰ কাৰণে তেনেকুৱা ঘটনা ঘটিবলৈ পাইছে তাৰ এটা তদন্ত কৰি বিহীত ব্যৱস্থা লবলৈ মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। আমাৰ চাহ বাগানৰ নিযুক্তিৰ বিষয়ে শ্ৰীসনাতন ডাঙৰীয়াই কৈ গৈছে, মই তাৰ পুনৰাবৃত্তি কৰিব নোখোজো। আজি চাহ বাগান বিলাকৰ শিক্ষিত নিবনুৱাৰ নিয়োগৰ ক্ষেত্ৰত এক বিৰাট সমস্যাই দেখা দিছে। এটা পৰিয়ালত ১২—১৫ জন মানুহ আছে আৰু কাম কৰে মাত্ৰ দুজনে। এই দুজন মজদুৰৰ উপাৰ্জনেৰে ১২—১৫ জনীয়া পৰিয়ালটো ভৰণ পোষণ দিয়াটো অসম্ভৱ। আমাৰ মজদুৰৰ শিক্ষিত লৰা যিবিলাকে মেট্ৰিক বি, এ, পাছ কৰি ওলাই আহে তেওঁলোকৰ বাবে চাহ বাগানত নিযুক্তিৰ কোনো ব্যৱস্থা নাই। এই সম্পৰ্কত আমি মুখ্যমন্ত্ৰীক স্মাৰক পত্ৰ দিছো— লেজিচলেচন কৰক যাতে চাহ বাগানত যি চাকৰি ওলাব তাৰ এটা অংশ মজদুৰৰ লৰাই পায়। লেজিচলেচন নকৰিলে আমাৰ মজদুৰৰ শিক্ষিত লৰা বঞ্চিত হৈ থাকিব। লেবাৰ কমিচনাৰ অফিচ আছে, পি, এফ অফিচ আছে। শ্ৰম দপ্তৰৰ মন্ত্ৰী মজদুৰৰ সম্প্ৰদায়ৰ পৰা দিয়া হয় আৰু তেওঁৰ ওচৰলৈ লৰাবিলাকে কাম বিচাৰি আহে। গতিকে আন আন বিভাগত যাতে মজদুৰৰশিক্ষিত লৰাই চাকৰি পায় তাৰ এটা পদ্ধতি নকৰিলে চাকৰি পাব নোৱাৰে। মই আজি পবিত্ৰ সদনত মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে তেখেতে আমাৰ কাৰণে বহুত কৰিছে আৰু অন্তত কেইটামান কাম কৰি দিলে আমি চৰকাৰৰ ওচৰত চিৰকৃতজ্ঞ থাকিম। মানুহ বিলাকে কৈ থাকে আমি চৰকাৰ পক্ষক সমৰ্থন কৰি থাকো, কিন্তু যিমান খিনি দিব লাগে তাৰ পৰিবৰ্ত্তে অকনমান দিয়ে। মই কৈছো ঠগা কথা নহয়। চাহ আৰু প্ৰাক্তন চাহবনুৱা সঞ্চালকালয়ত যিজন বিষয়া দিছে তেওঁ বাগানৰ সম্পৰ্কত একো নাজানে। গতিকে তাত এজন খিলঞ্জীয়া অসমীয়া মানুহ দিয়ক যাতে তেওঁ চাহ বাগানৰ মানুহৰ প্ৰকৃত সমস্যাটো বুজি পায়। তেখেতে আমাক শিকাব লাগে কিন্তু তেখেতক আমি শিকাব লাগে। তেখেতক শিকামেই নে কি কৰিম? গতিকে অনুৰোধ কৰো যাতে মুখ্যমন্ত্ৰীয়ে ইয়াৰ এটা বিহীত ব্যৱস্থা লয়। শ্ৰীশইকীয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দিনত আমাৰ বাবে ডি, পি, আই, অফিচত এটা চাহ বনুৱা শিক্ষাৰ চেল হৈছে। এই চেলটোৱে চাহ বনুৱা শিক্ষাৰ সম্পৰ্কে চাব। গতিকে ইয়াত চাহ বাগান বা প্ৰাক্তন চাহবাগানৰ বিষয়া দিব লাগে যাতে বনুৱাৰ সম্পৰ্কে যথাৰ্থ জ্ঞান থাকে আৰু প্ৰকৃত সমস্যা দাঙি ধৰিব পাৰে। এই কথাষাৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই হয়ভৰ দিছে কিন্তু অলপ পলম হৈছে। এই ক্ষেত্ৰত খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিলে উপকাৰ হব। বাজেট ভাষণত লেবাৰৰ কথা বিশেষ ভাৱে উল্লেখ কৰা নাই বুলিয়েই যাতে মজদুৰৰ সমস্যাবিলাক অস্বীকাৰ নকৰে তাৰ বাবে বিত্তমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিলো। তাৰ পিছত আজি প্ৰশ্ন উত্থাপিত হৈছে ডকাইতি সম্পৰ্কত। কিমান ডকাইত ধৰিব পৰা হৈছে তাৰ হিচাব মুখ্যমন্ত্ৰী ডাঙৰীয়াই দিব বুলি কৈছে। আজি আমাৰ পুলিচ আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক ক্ষুন্ন হব ধৰিছে। মুখ্যমন্ত্ৰী গৃহ দপ্তৰৰ দায়িত্বত আছে, গতিকে ইয়াৰ এটা ব্যৱস্থা কৰিব। আজি তেখেতৰ আপ্ৰাণ চেষ্টাতআমি ৰাজনৈতিক কৰ্ম্মীসকলে গাঁৱলৈ যাব পৰা হৈছো। পুলিচ বিষয়াসকলে লগ পালে কয় চাকৰিৰ নিৰাপত্তা নাই। ভাল কাম কৰিলেও গালি পাৱে আৰু বেয়া কাম কৰিলেও গালি পাৱে। গতিকে এইসকল বিষয়াক ৰক্ষণা বেক্ষণ দিব লাগে। লগতে পুলিচ আৰু জনসাধাৰণৰ মাজৰ সমন্বয় সাধন কৰিব লাগে। তাৰ পিছত ওপৰ লেভেল আৰু তলৰ লেভেলৰ পাৰ্থক্যৰ সমন্বয় কৰিব লাগে। মৰাণ সমষ্টিৰ গণ্ডগোলৰ সম্পৰ্কত আই, জি, পি, তালৈ গৈ একপক্ষীয় কথা শুনি ৰাইজৰ মাজত পুলিচক গালিপাৰিছে যাৰ ফলত ৰাইজৰ মাজত আতংকই দেখা দিছে। গতিকে এই বিলাকৰ ভাল ব্যৱস্থা কৰিব লাগে যাতে পুলিচে ভাল ধৰণে কাম কৰিব পাৰে।

বাগানলৈ গলে চৰ্দ্দাৰ বিলাকে আমাক কয় মজদুৰৰ লৰাই এ, চি, এচ পৰীক্ষা দিছিল কিন্তু চাকৰি নাপালে। মুখ্যমন্ত্ৰীক লগ ধৰি এই সম্পৰ্কত কৈছিলো, কিন্তু একো ব্যৱস্থা হোৱা নাই। বাগানৰ লৰাই এনেই প্ৰতিযোগিতাত জয়ী হব নোৱাৰে তেনে অৱস্থাত ৬—৭ জন লৰাই এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি নামটো কাগজত উঠাব পাৰিছিল, কিন্তু নিযুক্তি পোৱা নাই। এই বিলাক লৰাই যাতে চাকৰি পায় তাৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখিছো। এইখিনিকে পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰী মহোদয়ক প্ৰথমেই মই ধন্যবাদ জনাইছো এই কাৰণেই যে, তেখেতে এই সদনত বাজেট উত্থাপন কৰি ৰাজ্যৰ অৰ্থনীতিৰ দেউলীয়া অৱস্থাটো জনসাধাৰণৰ আগত স্পষ্টভাৱে দাঙি ধৰিছে। দেউলীয়া হয় যাৰ টকা আছে কাৰণ নিজৰ সম্পদ আছে অথচ কাম কাজত খৰচ নকৰি ধাৰ ঋণ কৰি বাচি থাকে। আমাৰ ইয়াৰ দেউলীয়া হোৱাৰ মূল কাৰণ হৈছে যে, আমাৰ ইয়াত যিটো প্ৰক্ৰিয়া চলিছে এই প্ৰক্ৰিয়াই ৰাজ্যখনৰ যি সম্পদ আহৰণ কৰিবলৈ গুৰুত্ব দিয়া নাই। তদুপৰি আগন্তুক সপ্তম পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ কাৰণে যি অৰ্থৰ প্ৰয়োজন হব সেই কথা বিত্তমন্ত্ৰী মহোদয়ে অলপো চিন্তা কৰা নাই। চিন্তা নকৰি স্থানীয় ভাৱে অৰ্থ সংগ্ৰহৰ ব্যৱস্থা নকৰি ঘাটি বাজেট দাঙি ধৰিছে। ঘাটি বাজেট কেন্দ্ৰৰহে, ৰাজ্যৰ নহয়। বাজেটৰ টকা আহে কৰৰ পৰা ধাৰৰ পৰা আৰু সাহায্যৰ পৰা। ৰাজ্যখনৰ আমাৰ যি বাজেট হব ইয়াৰ সাহায্য আহিব লাগিব কেন্দ্ৰৰ পৰা। কেন্দ্ৰীয় চৰকাৰী ধাৰ ঋণ কৰা মিলাব নোৱাৰি ঘাটি পূৰণ কৰায় নোট চপায়। এই নোট চপাই ঘাটি পূৰণ কৰোতে মুদ্ৰাস্ফীতি হয়, মূল্য বৃদ্ধি হয়। কালি এজন অফিচাৰে বন্ধুৱে কৈছে যে, আজি কালি আমি সপ্তাহত এদিনো মাছ খাব নোৱাৰা হৈছো। বয়-বস্তুৰ মূল্য বৃদ্ধি হৈছে কিন্তু ৰাজ্যই উচিত ঘাটি পূৰণ কৰিব নোৱাৰে। ৰাজ্যই কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল হব লাগিব। ইয়াত ৰাজ্যখনৰ আয় দেখুৱাইছে আমাৰ বিত্তমন্ত্ৰী মহোদয়ে ৮ শ ৯ কোটি ৮১ হাজাৰ টকা আৰু আমাৰ ৰাজ্যৰ প্ৰকৃত আয় হৈছে ২ শ ৭২ কোটি ৪ লাখ ৬০ হাজাৰ টকা। ৰাকী ৫ শ ৩৭ কোটি ৩১ লাখ ২১ হাজাৰ টকা কেন্দ্ৰৰ পৰা অহা মঞ্জুৰী। এতিয়া বুজা যায় আমাৰ দেশখন কি অৱস্থাত পৰিছে। ইয়াত দেখা যায় আমাৰ নিজস্ব প্ৰকৃত আয় হৈছে ২ শ ৭২ কোটি ৪ লাখ ৬০ হাজাৰ টকা। এই আয় কৰ পৰা আহে? ইয়াৰ দুটা চ্চ আছে। এটা হৈছে কৰ আৰু আনটো আয়কৰ কৰ বহন কৰি যিটো পায়। আমাৰ চৰকাৰে কিছুমান পৰিকল্পনাৰ কাম হাতত লৈছে কিন্তু ইয়াৰ পৰা ২ পইচাও উপকাৰ হোৱা দেখা নাই। কৰ বঢ়ালেই মূল্য বৃদ্ধি হয়। কিন্তু কৰ আদায় কৰা দুটা পথ আছে। পৰোক্ষ ভাৱে প্ৰত্যক্ষ ভাৱে। প্ৰত্যক্ষ কৰ বঢ়াই সমাজবাদ বিশ্বাস কৰাটো তেওঁলোকৰ নৈতিক কৰ্ত্তব্য হব। এখন দেশত সমাজবাদ প্ৰতিষ্ঠা কৰিবলৈ হলে কৰ বঢ়াব লাগিব। প্ৰত্যক্ষ কৰৰ দ্বাৰা শাসক শ্ৰেণীৰ হাতত থকা সঞ্চিত অৰ্থ আনি জনসাধাৰণৰ কল্যান মূলৰ কামৰ খটোৱাব লাগে। সমাজবাদ হলেহে দেশ আগবাঢ়িব পাৰিব। কিন্তু দুভাৰ্গ্যৰ কথা যে, ভাৰতবৰ্ষত আজি প্ৰতি বছৰে প্ৰত্যক্ষ কৰ কমি আহিছে। আনহাতে পৰোক্ষ কৰ বঢ়াই শতকৰা ৮৩ ভাগ হৈছে। এইটো হৈছে জনসাধাৰণৰ ওপৰত বঢ়োৱা কৰ। এতিয়া ৰেলৰ বাজেটৰ ওপৰত কৰ লগাইছে, এই কৰৰ বাবে ৰেলৰ ভাৰা বাঢ়িব লগে লগে নিত্য ব্যৱহাৰ্য্য বস্তুৰ দামো বাঢ়িব। আমাৰ চৰকাৰৰ ৰাইজক সমাজবাদী কৰা কাৰ্য্য সম্পূৰ্ণ ওলোটা। আজি পুঁজিপতি সকলৰ ওপৰত কৰ লগোৱা হোৱা নাই আৰু তেওঁলোকে সা-সম্পত্তি, অৰ্থআদি কৰি আছে তেওঁলোকৰ ওপৰত কৰ লগোৱাৰ কোনো প্ৰস্তাৱ লোৱা হোৱা নাই। আমাৰ দেশ সাম্যবাদী দেশ নহয়। এতিয়া দেখা যায় বজাৰত ৰৌ মাছৰ কিলো ৫২ টকা হলেও মাছ পৰি নাথাকে। ২০ টকা দামৰ পুঠিমাছ আজি বজাৰত পৰি থকা নাই। তাৰ পৰা বুজা যায় এটা শ্ৰেণীৰ হাতত টকা আছে। আৰু এই শ্ৰেণীটোৰ প্ৰতি চৰকাৰে সদয় মনোভাৱ গ্ৰহণ কৰি আছে। আনহাতে কিছুমান বিভাগত পৰোক্ষ কৰ লগোৱাটো সমৰ্থন কৰো। অসমত এতিয়া মদৰ নৈ বৈছে। চৰকাৰে এক লিটাৰ মদত ৫ পইচা বঢ়ালেও ৫ বছৰত কিমান টকা হলহেতেন। গতিকে কিছুমান বিভাগত কৰ বঢ়াব লাগিব। কিন্তু এই ব্যৱস্থা আমাৰ চৰকাৰে চিন্তা কৰা নাই। চিন্তাহীন, ভাৱনাহীন এখন বাজেট উত্থাপন কৰিছে যিখনৰ কথা আমাৰ শাসক বন্ধুসকলে এখন গতানুগতিক বাজেট বুলি অভিহিত কৰিছে। সেই কাৰণেই আমি এই বিলাক কাৰ্যক্ৰমনিকা কোনো মতেই সমৰ্থন কৰিব নোৱাৰো। আপোনালোকৰ চৰকাৰ আমি এই বিলাক কাৰ্যক্ৰমনিকা কোনো মতেই সমৰ্থন কৰিব নোৱাৰো। আপোনালোকৰ চৰকাৰ আছে, যিখিনি পাইছে তাকেই দিছে সেইটো নহয়, নিজেও উপাৰ্জন কৰাৰ কথা চিন্তা কৰিব লাগে। আমাৰ যিখিনি সম্পদ আছে সেই সম্পদখিনি আমি সংগ্ৰহ কৰি লোৱাৰ প্ৰচেষ্টা দেখা নাপাও। আৰু এই প্ৰস্তাৱ এইবাৰো নাই। গতিকে আচল দুটা কৰৰ পৰা টেক্স ৰেভিনিউ আৰু নন টেক্স ৰেভিনিউৰ পৰা আমাৰ কোনো লাভ হোৱা নাই আৰু আমি মাত্ৰ ২ শ ৭২ কোটি ৪ লাখ ৬০ হাজাৰ টকাহে আয় পাইছো। আমাৰ কৰ সংগ্ৰহ কৰাৰ নীতিৰ গাফিলতিৰ বাবেই এনে হৈছে। আজি কুৰি দফীয়া আচনি গ্ৰহণ কৰিছো, নানা ভাৱে আলোচনা কৰা হৈছে এই সম্পৰ্কে ডাঙৰ ডাঙৰ লেকচাৰ দিছে কিন্তু এই কুৰি দফীয়াৰ ভিতৰৰ ১৯ নং দফাটো আলোচনা নকৰে আৰু কাৰ্য্যকৰী কৰাৰ চেষ্টাও নকৰে। মানকি বহুতেই নাজানে যে এই ১৯ নং দফাট কি কি আছে। আজি কৰ ফাঁকি দিয়া কিমান কেচ ধৰা পৰিছে। এই বছৰত কৰ ফাঁকি দিয়া যিমান কেচ ধৰা পৰিছে

১৯৮২ চনৰ ৩১ মাৰ্চত অনাদায় কৰ ২১ কোটি ৩৯ লাখ টকা আৰু ১৯৮৩ চনত ৩১ মাৰ্চত আনাদায় কৰ ৬৬ লাখ টকা। গতিকে কৰ আদায়ৰ কাম হোৱা নাই। ১৯৮৪-৮৫ চনৰ কোনো হিচাবেই নাই। আজি আমাৰ প্ৰশাসনীয় যিটো তত্‌পৰতা হোৱা উচিত আছিল সেই প্ৰশাসনীয় তত্‌পৰতা হোৱা দেখা নাই। আৰু কিছুমান কৰ আছে আমি দেখিলে আচৰিত হও যে আজি আমাৰ ৰাজ্য অসম কলৈ গৈছে, অসমৰ কি অৱস্থা হব? এইবিলাক ভাবি পাব নাপাও। নন টেক্স ৰেভিনিউ কৰৰ চৰ্চ আমাৰ বনবিভাগত লাগে। এক্সচাইজ, ফিচাৰী, মাইনচ এণ্ড মিনাৰেলচ এই বিলাকৰ পৰা কৰ লব পাৰি। এতিয়া আমাৰ বন বিভাগটো আয়ৰ বিভাগৰ পৰা ব্যয়ৰ বিভাগলৈ ৰূপান্তৰিত হৈছে। ফৰেষ্ট বিভাগত আয় হব ৬৩ কোটি ৩৫ লাখ টকা আৰু ব্যয় হব ৩১ কোটি ৬২ লাখ ৫ হাজাৰ টকা। এইটো এসময়ৰ অসমৰ হিচাব আছিল। এতিয়া এইটো ব্যয়ৰ বিভাগহে হৈছে। আজি আমাৰ বন বিভাগটো হাৰা পানী খাবৰ বাবে ৰখাৰ নিচিনা হৈছে। বন সম্পদ নহৈ বন বিপদহে হৈছে। আমাৰ এই বিভাগৰ পৰা আয় হৈছে ২৩ কোটি টকা আৰু ব্যয় হৈছে ৩১ কোটি টকা। গতিকে সম্পদ বুলি কব পৰা নহয়। বৰঞ্চ বিপদ বুলিহে কব পাৰি।

ৰাজ্য চৰকাৰে পাইছে কেন্দ্ৰীয় সাহায্য। আমিও জানো যে কেন্দ্ৰই সহায় কৰিব। কিন্তু নিজৰ যি খিনি সম্পদ আছে সেইখিনি কি কৰিব? গতিকে নতুন সম্পদ গঢ়িচ হল বিপদ। আয় হয় ২৩ কোটি আৰু ব্যয় হয় ৩১ কোটি। গতিকে কথাতো চিন্তা কৰিব লগীয়া হৈছে।

### ফিচাৰী।

আজি সাধাৰণ মানুহে মাছ কিনিব নোৱাৰে। সময়ত আমি ভাবিছিলো গাঁৱৰ মানুহে মাছ মাৰিলে চৰকাৰে পুলিচক ধৰাই দিয়ে, গতিকে চৰকাৰৰ বহুত আয় হয় কিন্তু এতিয়া দেখিছো মৎস্য বিভাগৰ আয় মাত্ৰ ৮৭ লক্ষ, ব্যয় হৈছে ৪ কোটি ২৮ লাখ ৬৭ হেজাৰ। এই ৮৭ লক্ষ টকা চৰকাৰে এৰি দিয়ক: ৰাইজে মাছ মাৰক, খাওক, বিক্ৰী কৰক। যিহেতু খৰচৰ বিভাগত পৰিণত হৈছে, আয়ৰ বিভাগ হোৱা নাই। গতিকে মহল বিলাক সোনকালে এৰি দিব লাগে।, ৰাইজে মাছ মাৰিলে আমি কম দামত কিনিব পাৰিম। আমাৰ বিপদ হৈছে মহল বিলাকে মাছ মাৰিলে সেইবোৰ চালন দিয়ো আৰু দামো বেছি হব। আনহাতে ৮৭ লক্ষ টকাৰে দেশ এখনৰ একো নহয়। সেইকাৰণে মই কৈছো মৎস্য বিভাগৰ টকাটো চৰকাৰে এৰি দিয়ক।

### মাইনচ এন্ড মিনাৰেল

ইয়াত কিয় আয় নহয়? আমি জানো অসমত যিমান কয়লা সম্পদ আছে ইয়াৰ পৰা কিমান আয় হব লাগে সেইটোৰ খবৰ হয়তু বিত্ত মন্ত্ৰীৰ নাই। এই বিভাগত আয় হয় ৭৫ লক্ষ টকা আৰু ব্যয় হয় ১ কোটি ২৭ লাখ। ১০ হাজাৰ কত গল অসমৰ কয়লা সম্পদ? ইয়াৰ বাহিৰেও আৰু কি কি সম্পদ আছে এই বিভাগত সেই কথা আমি নাজানো। এই সম্পদৰ পৰা ৰাইজৰো একো সুফল অহা নাই, কিন্তু কিছুমান মানুহৰ মাজলৈ ইয়াৰ সুফল গৈ আছে। কিছুমান মানুহৰ স্বাৰ্থ ৰক্ষাৰ তৎপৰতাৰে এই সম্পদ ব্যৱহৃত হৈছে। ফলত চৰকাৰৰ ঘাটি হৈছে। হওক। মই সেইকাৰণে কৈছো সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনা আহিছে, বিপদ হৈছে। যিহেতু ৰাজ্যচৰকাৰ সম্পূৰ্ণ ভাবে নিৰ্ভৰ কৰিব লগা হৈছে কেন্দ্ৰৰ ওপৰত। কেন্দ্ৰীয় চৰকাৰে কেনেকৈ ৰাজ্য চৰকাৰক প্ৰবঞ্চনা কৰি আছে সেই কথা মনত ৰখা উচিত। মই মাননীয় বিত্ত মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো কাৰণ তেখেতে সাহসেৰে কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ বিৰুদ্ধে স্পষ্ট লিখি দিছে। তেওঁলোকে কৈছে চলিত বছৰত কেন্দ্ৰই অসমক ১৫৯ কোটি ৩৬ লাখ টকা নিদিলে, কিন্তু অষ্টম বিত্ত আয়োগে দিব দিছিল। ইমান টকা হেৰুৱাৰ ফলত বহুত কাম বন্ধ হৈ গল। বন্ধ হৈ আছে আৰু থাকিবও। অৰ্থ নীতি কেন্দ্ৰত যে ভাল হব সেই আশা নকৰো। ধনতান্ত্ৰিক অৰ্থ নীতিৰ বহুত পুঁজি পতি সকলৰ স্বাৰ্থ ৰক্ষা কৰিব। তথাপি আমি ৰাজ্য চৰকাৰৰ বাজেট চিন্তা কৰিছো। ৰাজ্যখনৰ পুঁজী সংগ্ৰহৰ যি কেইটা বাট আছে সেই কেইটা বাট গ্ৰহণ নকৰি আজি কিছুমান ভয়াবহ অৱস্থালৈ ৰাজ্যৰ জনসাধাৰণক ঠেলি দিছে। দেশখনৰ উন্নয়ন নিৰ্ভৰ কৰে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত যদি এই সম্পদৰ উন্নয়নৰ ওপৰত নিৰ্ভৰ নকৰে তেন্তে অসমৰ কৰ্মচাৰীক দৰমহাই দিব নোৱাৰিব। এই দেৱলীয়া অৱস্থাৰ পৰা অসমৰ অৰ্থনৈতিক আগুৱাই লৈ যোৱাৰ কাৰণে চলিত বছৰৰ ভিতৰত এনে কিছুমান ব্যৱস্থা লোৱা উচিত যি ব্যৱস্থাৰ দ্বাৰা পৰিকল্পনা কাৰ্য্যকৰী কৰিব পৰা যায়।

কেৱল টকা আনিলে ইনফ্লেশ্যন বাঢ়ে। মই মেল-মিটিং আদিত কওঁ— এতিয়া বস্তুৰ দাম বান্দৰ জাপ দিয়ে। এইটো লাহে লাহে সৰ্ব্বভাৰতীয় ফেনমেনন হৈছে। আজিৰ বাজেটত মূল্য বৃদ্ধি হব। এই টকাৰে আপোনালোকৰ নচলিব। অৰ্থ নীতিৰ লগত সম্পৰ্ক নাৰাখিলে এই ফেনমেননো ৰাখিব নোৱাৰে। সৰ্বভাৰতীয় বুলি কৈ এনে ধনতান্ত্ৰিক অৰ্থনীতিত মূল্য বৃদ্ধি হয়। মূল্য বৃদ্ধিৰ ফলটো জনসাধাৰণে যেনেকৈ পাইছে তাতকৈ পুজীপতি সকলে বেছিকৈ পাইছে। কাৰণ এই মূল্য বৃদ্ধি হৈছে প্ৰত্যক্ষ কৰ।

বৃহত পুজীপতিৰ হাতত যেতিয়ালৈকে অৰ্থনীতিৰ চাবি কাঠি থাকিব তেতিয়ালৈকে ভাৰতবৰ্ষত মূল্য বৃদ্ধি ৰোধ কৰিব নোৱাৰে।

মূল্য বৃদ্ধি ৰোধ কৰাৰ ক্ষমতা চৰকাৰৰ নাই। মূল্য বৃদ্ধি কৰিছে পুজিবাদী অৰ্থনীতিয়ে। এই পুজিবাদী অৰ্থনীতিয়ে নিবনুৱাৰ সৃষ্টি কৰিছে। জনসংখ্যা হিচাপত চাকৰি দিবলৈ গলে কি হব "ঘোৰাৰ কনী" হব। নিবনুৱা বাঢ়িবহে নকমে। এই গোটেই প্ৰক্ৰিয়াটোৱেই ধনতান্ত্ৰিক প্ৰক্ৰিয়া, এই প্ৰক্ৰিয়াত এটা চামৰ ধন বাঢ়ি থাকিব আৰু যাৰ নাই সেই চামৰ কমিয়েই থাকিব। কিন্তু আমাৰ সমাজ-বাদহোৱা হলে আপোনালোকে এই দুৰ্গতি নাপালেহেতেন। গতিকে এই দুটা বিষয়ত আপোনালোকে একো কৰিব নোৱাৰে। আমাৰ ওচৰলৈ চাকৰি বিচৰা লৰা বিলাক আহে আমি সিহঁতক কওঁ এতিয়াটো চাকৰি পোৱা নাযাব আগতে সমাজবাদ হওক তেতিয়া চাকৰি দিব পাৰিম গতিকে সন্যবাদ অহালৈ ৰব লাগিব। সিহঁতে আমাৰ কথা শুনিব জানো? নশুনে আমাক মাৰিবলৈহে আহিব। কিন্তু ইয়াৰ দায়িত্ব কাৰ, দায়িত্ব হৈছে দেশৰ ৰাজনৈতিক শক্তিৰ যি শক্তিয়ে দেশ চাই আছে। এই ৰাজনৈতিক শক্তিৰ উদ্দেশ্য হৈছে মূল্য বৃদ্ধি ৰোধ কৰা আৰু নিবনুৱা সমস্যা বৃদ্ধি ৰোধ কৰা। অসমৰ এবছৰৰ আয় হয় ২৭২ কোটি টকা কিন্তু টাটা, বিৰলাৰ ব্যক্তিগত আয় হয় পাচ শ নব্বৈ কোটি টক।এইটো অকল লাভেই হয়, নেট প্ৰফিট। এই সুযোগ কোনে দিছে? এই সুযোগ দিছে আমাৰ শাসক সকলে, শাসকৰ দলৰ পৰা দিছে। আজি ৩৭ বছৰ একে দলে শাসন কৰিছে মাজতে কেইটামান দিন মাথো জনতা দল আহিছিল যদিও তেওঁলোকৰ কোনো নীতিয়েই নাছিল। ধনতান্ত্ৰিক পদ্ধতিত মাথো দেশ খনক আগুৱাই লৈ গৈছে। এই পদ্ধতিৰে মানুহক আজি কি দিছে অন্ন দিব নোৱাৰে, বস্ত্ৰ দিব নোৱাৰে একো দিব নোৱাৰে আৰু তাৰে প্ৰতিফলন হৈছে এই অৰ্থনৈতিক দেউলীয়া অৱস্থা। ৰাজ্যতো অৰ্থনীতিৰ দেউলীয়া অৱস্থা। মানুহ বাঢ়ি আছে কিন্তু উৎপাদন বঢ় নাই। শতকৰা ৪ ভাগ বৃদ্ধি হোৱা দেখি আমি গৌৰৱ বোধ কৰিছো, কিন্তু এইটো একো গৌৰৱৰ কথা নহয় বৰং দুখৰ কথাহে। অসমত সৰু সুৱা পুজি-পতিৰ অৰ্থনীতিৰ বিকাশ সাধন অসম্ভৱ। ধনতান্ত্ৰিক নিয়মত একো হব নোৱাৰে। সকলোকে চাবচিডী দিব লগীয়া হৈছে, চাবচিডী দি আৰু কিমান দিন ৰাখিব। আজি কালি মিশ্ৰ অৰ্থনীতি বুলি এটা বস্তু হৈছে এইটো কি? ধনতান্ত্ৰিক পদ্ধতিয়ে পাবলিক চেক্টৰ উন্নতিত সহ্য নকৰে সকলো শেষ কৰি দিছে। তেওঁলোকে ভাবিছে কল্যান কৰিছে কিন্তু নহয়। সুষ্ঠ সমাজবাদী অৰ্থনীতি লওক। যি সকল নিবনুৱা হৈ আছে সেই সকলকো কৈছো আৰু দেশৰ জনগনকো কৈছো আন্দোলন কৰক স্থায়ী সংগ্ৰাম কৰক আৰু সমাজতন্ত্ৰৰ ফালে আগবাঢ়ি যাওক। মূল্যবৃদ্ধি ৰোধ কৰিবলৈও সংগ্ৰাম কৰক সংগ্ৰাম অবিহনে সমাজতান্ত্ৰিক অৰ্থনীতি অবিহনে এই বিলাক সমস্যাৰ সমাধান সম্ভৱ নহব। গতিকে মই চৰকাৰক কব খুজিছো যে আপোনালোকে এই মিশ্ৰ অৰ্থনীতি বাদ দিয়ক আৰু সমাজতান্ত্ৰিক অৰ্থ-নীতিৰে আগবাঢ়ক নহলে একো নহব। বাহিৰৰ পৰা টকা আনি থাকিলে আৰু বস্তু আনি থাকিলে মূল্য বাঢ়িয়েই থাকিব।

চাৰ, মই আমাৰ বিত্তমন্ত্ৰী, মহোদয়ে দাঙি ধৰা বাজেটৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীজয়নাল আবেদিন :— মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৮৫-৮৬ চনৰ বাবে আমাৰ বিত্তমন্ত্ৰী মহোদয়ে উত্থাপন কৰা বাজেটত সমৰ্থন জনাই মই কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। এই বাজেট খন মোৰ দৃষ্টিত প্ৰগতিশীল, বাস্তৱ আৰু কল্যানমুখী হৈছে। আমি পাহৰিলে নচলিব যে, যি এটা পৰিস্থিতিত আজি দুবছৰৰ আগতে এই চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰিছে, আৰু তেতিয়াৰ পৰা

অনবগল প্ৰচেষ্টাৰ ফলত আজি যি পৰিবৰ্ত্তন হৈছে তাৰ বাবে এই চৰকাৰ শলাগিব লগীয়া। আজি দুবছৰৰ ভিতৰত বিভিন্ন ক্ষেত্ৰত যি উন্নয়নমূখী কাম-কাজ আৰম্ভ হৈছে তাক আমি নিজে দেখিছো আৰু সচাকৈয়ে শলাগ লবলগীয়া। যি সময়ত এনে এটা অৱস্থাৰ সৃষ্টি হৈছিল, যি পৰিস্থিতিত মানুহৰ ব্যক্তিগত স্বাধীনতা নাছিল সেই সময়ৰ পৰা এই চৰকাৰে অক্লান্ত চেষ্টাৰ ফলত আজি সম্পূৰ্ণ নহলেও বহুপৰিমাণে শান্তি শৃংখলা ঘূৰাই আনিছে। মই এই খিনিতে ২০ দফীয়া আৰ্চনিৰ কথা কওঁ ; আজি গাঁৱে-ভূঞে জনসাধাৰণৰ মাজত এটা পৰিবৰ্ত্তন আহিছে। যি কোনো কাম কৰিবলৈ গাওঁৰ মানুহ আজি ওলাই আহিছে। আজি মাটি কটা কামত দেখিব, আমাৰ গাওঁৰ মানুহে আনন্দ মনেৰে যোগ দিছে। কিছুদিনৰ আগলৈকে বাহিৰৰ পৰা মানুহ আনিব লগা হৈছিল ; এনেবোৰ কামৰ বাবে আজি অসমীয়া মানুহ লাগি গৈছে। এইটো বৰ আনন্দৰ কথা। চৰকাৰৰ আই, আৰ, দি, পি, আৰু এন, আৰ, দি, পি, আদিত যিবোৰ স্কীম আছে সেইবোৰ সকলোতে আমাৰ স্থানীয় মানুহ লাগি গৈছে।

উপস্থাপিত আজিৰ এই ২০,২৬৫ কোটি টকাৰ এইখন যদিও ঘাটি বাজেট, তথাপিও এইখন উন্নয়ন মুখী বাজেট বুলি মই ভাবো। আজি যি বিলাক বৃত্তীয় প্ৰস্তাৱ বিত্ত মন্ত্ৰী মহোদয়ে বাজেটৰ মাজেদি উল্লেখ কৰিছে তাৰ কেইটামান দিশত যেনে আমাৰ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত এইবছৰত কিঞ্চিত পৰিমাণে হলেও আয় বৃদ্ধি হৈছে। ৰাজহ আদায়ৰ ক্ষেত্ৰত যোৱা বছৰৰ তুলনাত এই বছৰ বৃদ্ধি পাইছে। এনেকৈ যদি ৰাজ্যখন চলিব পাৰে তেন্তে নিশ্চয় অদূৰ ভৱিষ্যতে আমাৰ অৰ্থনৈতিক অৱস্থা উন্নত হব।

আমাৰ প্ৰচেষ্টা আৰু সকলোৰে সহযোগত দেশখনৰ অদূৰ ভৱিষ্যতৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি নিৰ্ভৰ কৰে। আজি এটা বিষয়ৰ প্ৰতি মই আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সেইটো হৈছে আমাৰ বাজেটত ঘাটি দেখুওৱা যদিও পক্ষান্তৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা ক্ৰুড অইল ৰয়েলিটি যিখিনি পাব লাগে সেই খিনি যদি পাওঁ তেতিয়াহলে তাৰ দ্বাৰা আমাৰ ঘাটি বহুত খিনি লাঘৱ হব। সেই কাৰণেই মই এটা পৰামৰ্শ দিব বিচাৰিছো যে এই সম্পৰ্কত আমাৰ সদনত এটা প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে। এই পৰমাৰ্শটো মই বিৎমন্ত্ৰী মহোদয়লৈ আগবঢ়ালো। লগতে আমাৰ পৰিকল্পনাৰ বিভিন্ন কাম কাজৰ ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ লবলগীয়া হয়। এই ক্ষেত্ৰত আমাৰ বিত্তমন্ত্ৰী মহোদয়ে তেখেতৰ বাজেট বক্তৃতাৰ বিচক্ষনতাৰে উল্লেখ কৰিছে যে আমাৰ পৰিকল্পনাৰ বাবে ঋণ কেন্দ্ৰীয় চৰকাৰৰ পৰা লব লাগে। ইয়াৰে কিছু ঋণ হিচাবে দিয়ে আৰু কিছু গ্ৰান্ট হিচাবে দিয়ে। পাহাৰীয়া অঞ্চলৰ কাৰণে শতকৰা ৯০ ভাগ ঋণ হিচাবে দিয়ে আৰু শতকৰা ১০ ভাগ গ্ৰান্ট হিচাবে দিয়ে। আমি এইটো যদি জেনেৰেলাইজ কৰিব পাৰো তেতিয়াহলে আমাৰ কৰৰ বোজা বহুত খিনি লাঘৱ হব। আজি কুৰি দফীয়া আৰ্চনিৰ পৰা পোৱা সুফলৰ কথা আমাৰ ৰাইজে স্বীকাৰ কৰিছে। কুৰিদফীয়া আৰ্চনিয়ে দেশৰ অৰ্থনীতিলৈ এটা ডাঙৰ বিপ্লব আনিছে। বিশেষকৈ গ্ৰাম্য জনসাধাৰণৰ কাৰণে এই কুৰিদফীয়া আৰ্চনি এটা আপুৰুগীয় সাম্পদ। আমাৰ সকলো অঞ্চলতে কুৰিদফীয়া আৰ্চনিৰ কাম; কৰবাত কিবা ক্ৰুটী বিচ্চুটি থাকিলেও ভাল ভাগেই চলি আছে। আজি ৰাষ্ট্ৰীয় পথেৰেই যাওক বা গাৱৰ ভিতৰেদিয়েই যাওক সকলোতেই কুৰিদফীয়া আৰ্চনিৰ কাম চলি থকা দেখিবলৈ পাব। আগতে আমাৰ স্থানীয় লোকে এই বিলাকত কাম কৰা নাছিল। এতিয়া স্থানীয় লোকে এই কাম বিলাকত তেওঁলোকৰ নাম ভৰ্ত্তি কৰিবলৈ আমাক তাগিদা দি আছে। তেওঁলোকে কৈছে যে আমাকো এই কামত সুমোৱাই লওক।

অধ্যক্ষ মহোদয়, আমি অৰ্থনৈতিক বিপ্লৱত আজি ভৰি দিছো। আজি যি বিলাক আৰ্চনি চৰকাৰে লৈছে এই বিলাক যদি নিষ্ঠাৰে কাৰ্যকৰী কৰিব পাৰো তেনেহলে আমাৰ দেশৰ নিশ্চয় উন্নতি হব। এইটো আমাৰ ৬ ষ্ঠ পৰিকল্পনাৰ শেষৰ বছৰ। আমাৰ ৭ ম পৰিকল্পনাৰ শেষৰ বছৰত আমাৰ দৰিদ্ৰতা সীমাৰেখাৰ তলত থকা শতকৰা ২৩ ভাগ লোককেই কুৰিদফীয়া আৰ্চনিৰ জৰিয়তে ওপৰলৈ উঠাই অনাৰ পৰিকল্পনা লোৱা হৈছে। আজি যি ধৰণেৰে কামত আগবঢ়া হৈছে এই ধৰণেৰে হলে আমি নিশ্চয় লক্ষ্যত উপনীত হব পাৰিম বুলি ভাবিছো। যোৱা কেইবা বছৰ ধৰি আমাৰ দেশত উন্নয়নমূলক কাম কাজ হোৱা নাছিল যদিও আজি শদিয়াৰ পৰা ধুবুৰীলৈকে সকলো অঞ্চলতে কুৰিদফীয়া আৰ্চনিৰ কাম চলি আছে। মই মোৰ নিজৰ জিলা খনৰ, অতিৰঞ্জিত হলেও কেইটামান কথা কব বিচাৰিছো। অধ্যক্ষ

মহোদয় আপুনি জানে আগ গোৱালপাৰ জিলাখন ভাঙি এতিয়া তিনিখন জিলা, ক্ৰমে গোৱালপাৰা, ধুবুৰী আৰু কোকোৰাজাৰ কৰা হল। দুখৰ বিষয় এই ধুবুৰী জিলা খনৰ আজিলৈকে কোনো উন্নতি পৰিলক্ষিত হোৱা নাই। ধুবুৰী জিলাৰ পৰা একসময়ত মূখ্যমন্ত্ৰী গৈছে আৰু কেইবাজনো কেবিনেট মন্ত্ৰীও গৈছে তথাপিও এইটো কথা কলে আপুনি বিশ্বাস নকৰিব। এই জিলা খনত আজিলৈকে উল্লেখ যোগ্য একো কাম হোৱা নাই। কানুৰি ডিমাৰ্কুৰি পি, ডব্লিউ, ডি, ৰাস্তা গংগাধৰ নদীৰ বাংলাদেশ বৰদাৰ সীমামূৰীয়া প্ৰায় দেৰ কিঃ মিঃ মান ৰাস্তা গৰাখহনীয়াত গল। সেই গড়াখহনীয়া এতিয়া বাংলাদেশত সোমোৱাৰ উপক্ৰম হল। এই গৰাখহনীয়া ৰোধ কৰিব নোৱাৰিলে আমাৰ যি বৰদাৰ ফেন্সিং হোৱাৰ কথা চলি আছে সেইটো কৰাত যথেষ্ট অসুবিধা হব। ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা আজিলৈকে লোৱা হোৱা নাই। আগতে এবাৰ আমাৰ ইৰিগেচন মন্ত্ৰী শ্ৰীজোহিৰুল ইচলাম চাহাবে এবাৰ গৈ চাই আহিছিলগৈ। তথাপি এনেকুৱা এটা গুৰুত্বপূৰ্ণ কথাৰ প্ৰতি কোনো ব্যৱস্থা লোৱা হোৱা নাই। মই এই সম্পৰ্কত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যে কিবা এটা ভাল ব্যৱস্থা সোনকালে লব লাগে নহলে আমাৰ বহুত অংশ বাংলাদেশত পৰিণত হব। অতি দুভাগ্যৰ কথা যে যোৱা বানপানীৰ সময়ত এই ঠাইত গৰাখহনীয়া চলি থকা অৱস্থাতো আমাৰ ই, এণ্ড, মন্ত্ৰী এই ঠাই চাবলৈ নগল।

মোৰ বিধান সভাৰ সমষ্টি হৈছে গোৰীপুৰ। গোৰীপুৰ সমষ্টিত বহুত জনজাতীয় লোকে বসবাস কৰে। এই জনজাতীয় লোক সকলৰ বাবে মাত্ৰ এটা ২৩ কিঃ মিঃ দৈঘ্যৰ ৰাস্তা আছে। যিটোৰ নাম আলমগঞ্জ কাজিগাওঁ টিপকাই ৰাস্তা। এতিয়ালৈকে এই ৰাস্তাটোৰ মেটেলিং নোহোৱাৰ কাৰণে বাৰিষাৰ সময়ত সেই ৰাস্তাৰে গাড়ী অহা যোৱা কৰিব নোৱাৰে। এনেকুৱা এটা জনজাতীয় গুৰুত্বপূৰ্ণ ৰাস্তাত ব্লেক টপিং কৰাৰ ব্যৱস্থা নোলোৱাটো বৰ দুভাগ্যৰ কথা। মই অনুৰোধ কৰিছো এই জনজাতীয় ৰাস্তাটো জনজাতি মানুহৰ লাইফ লাইন হিচাবে লৈ ইয়াৰ এটা সুব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণৰ ওপৰত কোৱা নাছিলো। সেই কাৰণে মোক বাজেটত কবলৈ কিছু সময় দিব লাগে।

উপাধ্যক্ষ মহোদয়, দ্বিতীয়তে মই আৰু এটা কথা কও— ধুবুৰী জিলাৰ ভিতৰত ধুবুৰী ৰূপসি বাস বাৰী নামৰ যিখন পি, ডব্লিউ, ডি, ৰাস্তা আছে সেই ৰাস্তাটো ৰূপসী এয়াৰ পৰ্টৰ কাষেৰে গৈছে। এই ৰাস্তাটোৰ ওচৰত এয়াৰ পৰ্ট থকা স্বত্বেও আজিলৈকে ইয়াৰ উন্নতি নহল। সাহেব গঞ্জত ২ খন কাঠৰ দলং কৰিব লাগে। এইখিনিতে মই আৰু এটা কথা কও যে কলিকতাৰ পৰা কোচবিহাৰলৈকে বিমান যোগাযোগৰ সম্প্ৰসাৰণ ঘটিছে কিন্তু আজিলৈকে ৰূপসী বিমান বন্দৰলৈ বিমান চলাচলৰ ব্যৱস্থা কৰা নহল। গতিকে মই মূখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাও এইটো যদিও কেন্দ্ৰীয় চৰকাৰৰ বিষয় তথাপিও ইয়াৰ প্ৰতি তেখেতে মনোযোগ দি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰে তাৰবাবে আশা কৰিলো।

উপাধ্যক্ষ মহোদয়, ৰেল যাতায়তৰ ক্ষেত্ৰত মই দুষাৰ মান কবলৈ বাধ্য হলো। আজি ধুবুৰীৰ পৰা গুৱাহাটীলৈ যিখন ৰেল চলে সেই অতি পুৰণি আৰু ভাৰতৰ ভিতৰতেই আটাইতকৈ লাহে লাহে চলা ৰেল যেন পাইছো। বহুতে এই গাড়ীখনৰ নামাকৰণ কৰিছে খৰি কঢ়িউৱা গাড়ী বুলি। সেয়ে এইখন ৰেলত মানুহ আহিবলৈ ইচ্ছা নকৰে। এই গাড়ীখন ধুবুৰীৰ পৰা গুৱাহাটীলৈ এই ৩০০ কিঃ মিঃ পথ আহি পাওতে কমেও ২০ ঘন্টা সময় লয়। আমাৰ অসম চৰকাৰৰ ফালৰ পৰা দি, আৰ, ভি, চি, চি, আলিপুৰ দুৱাৰত দুজনমান প্ৰতিনিধি থাকে। কিন্তু মই দুই এখন মিটিঙত নিজে দেখিছো যে এই বিষয়া সকলে সেই মিটিঙত প্ৰতিনিধিত্ব নকৰে। এইটো বেয়া কথা হৈছে। চৰকাৰে পুৰৰ্বাঞ্চল ৰেলৰ উন্নতিৰ কাৰণে এই মিটিঙ বোৰত প্ৰতিনিধি সকলক যোগদিয়াৰ ব্যৱস্থা কৰিব লাগে।

এইখিনিতে উপাধ্যক্ষ মহোদয়, মই শিক্ষা বিভাগৰ কথাও দুটামান নকৈ নোৱাৰিলো। মই শিক্ষা মন্ত্ৰী মহোদয়ক এটা কথাত ধন্যবাদ দিছো যে তেখেতে এইবাৰ এহেজাৰখন ভেনচাৰ প্ৰাইমেৰী স্কুল চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰিছে। ইয়াৰ ফলত আমাৰ কমেও এহেজাৰজন শিক্ষক উপকৃত হব বুলি কব পাৰি। ইয়াৰ বাবে শিক্ষামন্ত্ৰীক ধন্যবাদ দিয়াৰ লগে লগে আমাৰ বিত্তমন্ত্ৰী মহোদয়কো এটা কথা অনুৰোধ জনাও যাতে তেখেতে এই বিষয়ত যথেষ্ট সহায় কৰে। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে

শিক্ষাৰ শিতানত আমাৰ যথেষ্ট ধন এই বাজেটত আছে। কিন্তু আমাৰ সকলোৰে এটা কথা দৃষ্টিগোচৰ হৈছে যে কিছুমান ঠাইত ভুৱা চাৰ্টিফিকেট দি একশ্ৰেণী লোকে ব্যৱসায় কৰি আছে। অলপতে তেনে এটা ঘটনা কোকৰাঝাৰৰ এজন স্কুল পৰিদৰ্শকে থানাত জনোৱাত ১০০ জনতকৈ অধিক ভুৱা চাৰ্টি-ফিকেট দিওতাই ধৰা পৰিছে বুলি জানিব পৰা গৈছে।

আজি আমাৰ ইউনিভাৰ্চিটি থকা স্বত্বেও এনেধৰণৰ ভুৱা সমান্তৰাল বিশ্ববিদ্যালয়ত ভুৱা চাৰ্টিফিকেটৰ ব্যৱসায় কৰি থকাৰ কথাই আমাৰ শিক্ষাৰ মানদন্ড নিম্নগামী কৰিছে। সেই কাৰণে মই পৰামৰ্শ দিব বিচাৰিছো, যে এই সংক্ৰান্তত এটা উচ্চ পৰ্য্যায়ৰ তদন্তৰ ব্যৱস্থা কৰা উচিত আৰু প্ৰয়োজন হলে এই কেচ চি, বি, আইক দি হলেও উচিত ব্যৱস্থা লোৱা উচিত।

উপাধ্যক্ষ মহোদয়, মই বন বিভাগৰ ক্ষেত্ৰতো চৰকাৰক এটা পৰামৰ্শ দিব বিচাৰিছো। আমাৰ ৰাজ্যত বন বিভাগত যথেষ্ট পৰিমাণৰ ষ্টাফ আছে যদিও সেই পৰিমাণে আমাৰ বনজ সম্পদ ৰক্ষা পৰা নাই বৰঞ্চ ধ্বংসহে হৈছে। এই বিভাগটো সচিবালয়ত বিভিন্ন বিভাগৰ লগত সংযুক্ত হিচাবেহে ৰখা হৈছে। সেই কাৰণে এই বিভাগটোৰ উন্নতি কৰিবৰ কাৰণে বন বিভাগৰ কাৰণে এটা বেলেগ সচিবালয় স্থাপন কৰাৰ কাৰণে মই পৰামৰ্শ আগবঢ়াইছো।

সৰ্ব্বশেষত মই আপোনাৰ জৰিয়তে এটা কথাৰ বিষয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো সেইটো হৈছে— আমাৰ নিম্নশ্ৰেণীৰ চৰকাৰী কৰ্ম্মচাৰী সকলৰ প্ৰফেচনেল টেক্স সম্বন্ধে। আজি চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী এজনে বছৰত ৫০ টকা আৰু উচ্চ বৰ্গ সহায়ক এজনে বছৰত ১৫০ টকা এই টেক্স ভৰিব লগা হয়। কিন্তু সেই অনুপাতে বাৰ্ষিক বৃদ্ধি যেনেকৈ হব লাগে তেনেকৈ নহয়। সেয়ে চৰকাৰে এই টেক্সটো কমাই দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিলে ভাল হয়। এইখিনিতে কৈ মাননীয় বিত্তমন্ত্ৰীয়ে সদনত উত্থাপন কৰা বাজেটখন সমৰ্থন কৰি মোৰ বক্তব্য সামৰিলো।

**শ্ৰীৰমেশ ফুকন**:— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰী মহোদয়ে সদনত উত্থাপন কৰা এই বাজেটখন সমৰ্থন কৰি মই দণ্ডায়মান কৰ বিচাৰিছো। এই বাজেট খনৰ মাজেদি চৰকাৰে এখন কল্যাণকামী ৰাজ্য হিচাবে চৰকাৰে যি কল্যাণকামী আচনিবোৰ হাতত লৈছে সেইবোৰ কাৰ্য্যসূচী কাৰ্য্যত ৰূপায়িত কৰাত সফল হোৱাৰ কাৰণে মই বিত্তমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। বিত্ত মন্ত্ৰী মহোদয়ে সদনত এইবাৰ যিখন বাজেট উত্থাপন কৰিছে সেইখন ঘাটি বাজেট হলেও ইয়াত নতুনকৈ কোনো কৰ কাটল লগোৱা হোৱা নাই। ইয়াৰ বাবে দুখীয়া জনসাধাৰণে কিছুপৰিমাণে হলেও সকাহ পাইছে আৰু তাৰ কাৰণে মই বিত্তমন্ত্ৰীক ধন্যবাদ জনাইছো। আমি জানো যে যোৱা বছৰটোত ৰাজ্যখনত অগাপিচাকৈ ৫ বাৰ বানপানী হয় আৰু ইয়াৰ ফলত সৰ্ব্বসাধাৰণ ৰাইজ একেবাৰে জুৰুলা হৈ পৰে। বানপানীৰ ফলত ৰাজ্যখনত শস্যৰ বিস্তৰ ক্ষতিসাধন হয় যদিও বস্তুৰ মূল্য যি দৰে বাঢ়িব বুলি আশংকা কৰা হৈছিল তেনেদৰে বঢ়া নাছিল। আমি যোৱা বছৰ সমৰ্থন মূল্যত ধান সংগ্ৰহ কৰিব পৰা নাছিলো যদিও, চৰকাৰৰ প্ৰচেষ্টাত অসমৰ বাহিৰৰ পৰা চাউল আনি হলেও ৰাজ্যৰ মাজত সুলভ মূল্যত বিতৰণ কৰা হয় আৰু বস্তুৰ চৰাদামক চৰকাৰে ৰোধ কৰিবলৈ সমৰ্থ হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিতে মই আমাৰ বিদ্যুৎ বিভাগৰ কথা দুটামান কব খোজো। আমি আজি উদ্যোগী কৰণৰ কথাই কওঁ বা জলসিঞ্চনৰ কথাই কওঁ এই আটাইবোৰৰ গুৰিৰতেই হল বিদ্যুৎ বিভাগ। যদি এই বিদ্যুৎ বিভাগত দেখা দিয়া ৰোগ আতৰ কৰিব নোৱাৰো তেনেহলে আমি এই ক্ষেত্ৰত বিশেষ আগবাঢ়িব নোৱাৰিম। আমাৰ গাওঁ অঞ্চলত বিদ্যুৎ বিভাগৰ বৈদ্যুতিকৰণৰ যি নিয়ম সেই নিয়মে আমাক বহু ক্ষেত্ৰত বিপদতহে পেলায়। কিয়নো সৰ্ব্বভাৰতীয় গ্ৰাম্য বৈদ্যুতিকৰণৰ যিটো নিয়ম, সেই নিয়ম মতে আমাৰগাওঁবোৰ বৈদ্যুতিকৰণৰ কৰাৰ ফলত আমাৰ গাওঁবোৰৰ এফাল এফাল বৈদ্যুতি-কৰণৰ পৰা বঞ্চিত হবলগীয়া হৈছে। কিয়নো ভাৰতৰ অন্যান্য ৰাজ্যৰ গাওঁৰ তুলনাত আমাৰ গাওঁবোৰ দীঘল আৰু জনসাধাৰণৰ বসতি সেৰেঙা। এই ক্ষেত্ৰত আমি সৰ্ব্বভাৰতীয় নীতি নেমানি আমাৰ ৰাজ্যখনৰ নিজাকৈ গাওঁ বৈদ্যুতিকৰণৰ নীতি নিয়ম তৈয়াৰ কৰাৰ কাৰণে চৰকাৰে বিহিত ব্যৱস্থা লব লাগে। এনে কৰিলেহে আমাৰ গাওঁবোৰ সম্পূৰ্ণকৈ বৈদ্যুতিকৰণ কৰা হব। ইয়াৰোপৰি আমাৰ চৰকাৰে বিদ্যুৎ

পশু-পালন বিভাগৰ কথা কবলৈ গৈ মই ইয়াকে কওঁ যে মোৰ নিজা সমষ্টি বড়মপুৰতো এখন ডায়েৰী ফাৰ্ম আছে। এই ফাৰ্মখনত যথেষ্ট মাটি আছে আৰু ইয়াত পশুপালন আৰু ঘাঁহ উৎপাদন কৰাৰ সুবিধা আছে। কিন্তু এই ফাৰ্ম খনৰ পৰা যি ধৰণে উপকৃত হব লাগাছিল তেনেদৰে হোৱা নাই। ইয়াৰ দহ ভাগৰ এভাগো সদ্যহতে ব্যৱহাৰ হোৱা নাই। সেয়ে মই পশুপালন মন্ত্ৰী মহোদয়ক (তেখেত বৰ্ত্তমান ইয়াত নাই) অনুৰোধ জনাও আমাৰ অসমত যিমানবোৰ ডায়েৰী ফাৰ্ম আছে আৰু পশুপালন কেন্দ্ৰ আছে আৰু বাজেটত যি ধৰণে টকা ধৰা হৈছে, সেই মতে এই আচনি কাৰ্য্যকৰি কৰিবলৈ মই তেখেতক দৃষ্টি আকৰ্ষণ কৰিলো।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰে জনসাধাৰণৰ উন্নতিৰ কল্পে বিভিন্ন আচনি যেনে— আই আৰ, দি, পি, এন, আৰ, ই, পি, এম, এন, পি, আদি হাতত লৈছে। এই আচনিবোৰ কাৰ্য্যকৰী কৰোতে আমাৰ বিধায়ক সকল জড়িত আছে। আজি আমাৰ ৰাজ্যত একশ্ৰেণী লোকে এতিয়া এই চৰকাৰক অবৈধ বুলি কৈ আছে যদিও আমি দেখিবলৈ পাইছো যে এই আচনিবোৰ আমাৰ জনসাধাৰণে কাৰ্য্যকৰী কৰাত আমাৰ লগত সম্পূৰ্ণ সহায় কৰিছে। মই অন্যৰ কথা নকও মোৰ নিজৰ সমষ্টিতে এই অচানিবোৰ কাৰ্য্যকৰী কৰাত জনসাধাৰণ আগবাঢ়ি আহিছে আৰু তেওঁলোকে এই আচনিবোৰ সচাকৈয়ে কল্যাণকামী আচনি বুলি গ্ৰহণ কৰিছে। এম, এন, পিৰ ৰাষ্টা বনাওতে কোনো অঞ্চলত দুৰ্নীতিৰ অভিযোগ উঠিছে যদিও যিবোৰত আমাৰ মাননীয় সদস্য সকলে আৰু বিভাগীয় বিষয়াই সজাগ দৃষ্টি ৰাখিছে তাত সুন্দৰ ভাবে আচনিৰ কাম সমাধা হৈছে।

উপাধ্যক্ষ মহোদয়, এই খিনিতে মই বি, ডি, অ' সকলৰ কথা কেইটামান কব খুজিছো। আমাৰ ব্লকবোৰত বিভিন্ন বিভাগৰ বিষয়াই কাম কৰে। যেনে কৃষি বিভাগৰ সম্প্ৰসাৰণ বিষয়া, পশু পালন বিভাগৰ সম্প্ৰসাৰণ বিষয়া, আদি। কিন্তু এই বিষয়া সকলে বি, ডি, অ'ৰ তলতে কাম কৰে যদিও এই বি, ডি, অ' জনৰ তেওঁলোকৰ ওপৰত তেওঁলোকৰ চি, আৰ লিখাৰ দায়িত্ব ব্লকৰ বি, ডি, অ' জনক দিব লাগে। এনে কৰিলে কিছু পৰিমাণে কোনো তদাৰক কৰাৰ কৰ্তৃত্ব নথকাৰ কাৰণে কামত বহুতো খেলি-মেলিৰ সৃষ্টি হয়। গতিকে মই চৰকাৰক এটা পৰামৰ্শ দিব খুজিছো যে যদিও এই বিষয়া সকল বিভিন্ন বিভাগৰ বিষয়া তথাপি তেওঁলোৰ চি, আৰ লিখাৰ দায়িত্ব ব্লকৰ বি, ডি, অ' জনক দিব লাগে। এনে কৰিলে কিছু পৰিমাণে হলেও এই বিষয়া সকলৰ ওপৰত বি, ডি, অ' জনৰ কৰ্তৃত্ব থাকিব আৰু ব্লকৰ বিভিন্ন উন্নয়নমূলক কামবোৰ কৰাত তেওঁলোকে বি, ডি, অ'ৰ লগত সহযোগ কৰিব। আৰু যদি কোনো বিষয়াই যি বিভাগৰেই নহওক, আচনি ৰূপায়নত বি, ডি, অ'ৰ লগত সহযোগ নকৰে বা কামত গাফিলতি কৰে তেন্তে সেই বিভাগৰ বিষয়াজনৰ ওপৰত বি, ডি, অ'ৰ জৰিয়তে ৰেচপনচিবিলিটি ফিক্স কৰাৰ ব্যৱস্হা কৰিবৰ কাৰণে মই চৰকাৰৰ ওচৰত পৰামৰ্শ আগবঢ়ালো।

এইখিনিতে মোৰ সমষ্টিৰ ঘটনা এটা কও— দি, আৰ, দি, এ আচনিৰ অধীনত কেইজনীমান দুখীয়া ছোৱালীয়ে কেইটামান চিলাই মেচিন পাইছিল। কিন্তু লখিমী গাৱলীয়া বেংকৰ ব্ৰান্স মেনেজাৰ, ক্ৰেডিট বিষয়া আৰু এজন দালাল লগ লাগি এই মেচিন কেইটা গাইপ কৰিলে। পিচত অনুসন্ধান কৰাত দুখীয়া ছোৱালী কেইজনীয়ে মেচিন কেইটা ঘুৰাই পাবলৈ সমৰ্থ হয়। গতিকে এইবোৰ আচনি কাৰ্য্যকৰি কৰিবলৈ যাওঁতে বিভাগীয় বিষয়া সকলৰ ওপৰত চোকা দৃষ্টি ৰাখিব লাগে আৰু যদি কোনো বিষয়া দুৰ্নীতি কৰাত ধৰা পৰে তেওঁক কঠোৰ শাস্তি দিয়াৰ দিহা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, বি, ডি, অ' জনে ডি, আৰ, ডি, এৰ, ঋণ দিয়াৰ ক্ষেত্ৰত বেংকৰ লগত যোগাযোগ কৰিব লাগে। এটা কথা মাননীয় বিত্ত মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিব খুজিছো যে বঙলুৰ গাৱলীয়া বেংক ননৈ লৈ উঠাই অনা হৈছে। আনহাতে ৰঙলুৰ চাইন বোৰ্ডখন এতিয়াও আছে। সেই অঞ্চলত যথেষ্ট শাক-পাচলিৰ উৎপাদন হয়। সেই অঞ্চলত খেতি বেছি হয়। গতিকে ননৈত ৰখাৰ কোনো যুক্তি নাই। বিভাগৰ পৰা বেংক কৰ্ত্তৃপক্ষই যোগাযোগ কৰি এই বেংক পুনৰ ৰঙলুলৈ যাতে নিয়া হয় তাৰ আশা কৰিছো। ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অতিৰিক্ত ধনৰ কাৰণে আবেদন কৰিছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ দৰাচলতে অসমৰ প্ৰতি সহানুভূতিশীল।মুখ্যমন্ত্ৰী মহোদয়ৰ দক্ষতা আছে। আমি আশা ৰাখিছো যে তেখেতে অনুদান বিচাৰি আনিবলৈ সক্ষম হব। আমাৰ মাননীয় সদস্য শ্ৰীজয়নাল আবেদিনে কৈছে যে খাদুৰা তেলৰ বাবে পাবলগীয়া ৰয়েলিটিৰ ফলত ঘাটি বাজেট ৰাহী বাজেটত পৰিণত হব আৰু বেছি টকা খৰছ কৰিবলৈ সক্ষম হব। শিক্ষা বিভাগেও যথেষ্ট কাম কৰিছে। আজি

চাহ বাগানৰ লৰা-ছোৱালী এচিষ্টেণ্ট ইন্‌স্পেক্টৰ হৈছে, এচ, আই, হৈছে আমাৰ বিধায়ক সকল এইটো বিষয়ত চকু দিয়াৰ কাৰণে। আগতে চাকৰি দিয়াৰ পদ্ধতিৰ কিতিপ কাটাপ আছিল। বিধায়কৰ লগত প্ৰত্যক্ষভাবে জৰিত হোৱাৰ কাৰণে আজি শিক্ষক সকল সতৰ্ক হৈছে। আগতে বেছি ভাগে স্কুললৈ নেযায়। চাহ বাগিছাৰ লৰা-ছোৱালী, জনজাতিৰ লৰা-ছোৱালীয়ে বৰ্ত্তমান অৱস্থাত শিক্ষা বিভাগৰ পৰা যথেষ্ট সদভাব পাইছে। শিক্ষা বিভাগৰ পৰা প্ৰাথমিক স্কুলত যি দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা কৰিছে এইটো অতি উত্তমৰ ব্যৱস্থা হৈছে। কিন্তু জনজাতি আৰু অনুসূচীত জাতিৰ অঞ্চলৰ প্ৰাথমিক বিদ্যালয় সমূহতো দুপৰীয়াৰ আহাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। শেষত বিত্তমন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিব খোজো যে বৰ্ত্তমান যিবোৰ বিত্তীয় বিধি আছে তাক সময়ৰ লগত খাপখোৱাকৈ সংশোধন কৰিব পাৰিনেকি তাক বিত্ত বিভাগে চাব লাগে। ফাইনেন্স ৰোল বিলাক জনকল্যাণমূলক ৰাষ্ট্ৰৰ লগত বৰ্ত্তমান খাপখোৱা হৈ আছে নে নাই আৰু জনকল্যাণকামী আচনিসমূহ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত ফাইনেন্সে ৰোলে বাধা দি আছে নেকি তাক চাবৰ প্ৰয়োজন হল। ফাইনেন্স ৰোল এমেণ্ডমেণ্ট কৰিবলৈ যদি প্ৰয়োজন হয় তাক কাৰ্য্যকৰী কৰিবলৈ তেখেতৰ আৰু বিভাগীয় বিষয়া সকলৰ দক্ষতা আৰু ক্ষমতা আছে। ৰোলচ আদি মানুহৰ কাৰণে নে মানুহ ৰোলচৰ কাৰণে? বৃটিচৰ দিনৰ পৰাই চলি অহা বিত্তীয় বিধি সমূহে বৰ্ত্তমান জনকল্যাণকামী ৰাষ্ট্ৰৰ উন্নয়ন মূলক আচনি সমূহ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত প্ৰায়ে প্ৰতিবন্ধক হৈছে সেইহে বৰ্ত্তমান সময় উপযোগীকৈ আৰু বিভিন্ন বিভাগে ৰাজ্যখনৰ উন্নয়নৰ কাৰণে গ্ৰহণ কৰা উন্নয়নমূখী আচনি সমূহৰ ক্ষেত্ৰত বিত্তীয় বিধি সমূহ যাতে প্ৰতিবন্ধক নহয় তাৰ কাৰণে মই বিনীত ভাবে মাননীয় বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ :— এতিয়া শ্ৰীলেখন লাহনে কব।

*শ্ৰীলেখন লাহন :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় অৰ্থ মন্ত্ৰী মহোদয়ে বিত্তীয় বছৰৰ বাবে এই পবিত্ৰ সদনত যি বাজেট উত্থাপন কৰিছে সেই বাজেট মই সমৰ্থন কৰিছো আৰু সমৰ্থন কৰি দুষাৰমান কব বিচাৰিছো। এই বাজেটত ৰাজ্যৰ মুঠ আয় ২৪ হেজাৰ ৬৩ কোটি ২৭ লক্ষ ২৬ হেজাৰ টকা আৰু ব্যয় হৈছে ২ হেজাৰ ২ শ ৬৫ কোটি টকা। ৰাহি হয় ৯১ লাখ ৭৩ হেজাৰ। সামৰণি উৎবৃত্ত ২ শ ২ কোটি ৬৪ লাখ ৪৭ হেজাৰ টকা। এই ঘাটি বাজেট ২ শ ২ কোটি এইটোত বহুত সন্দেহ হৈছে। এই বিত্তীয় বছৰটোত এই ঘাটি অপূৰণীয় হৈ ৰব আৰু মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই এই সম্পৰ্কে তেখেতে কৈছে এই ঘাটি অপূৰণীয় হৈ ৰব। ৰাজ্যৰ ভৱিষ্যত বাজেটত ই এটা গভীৰ চাপ হিচাবে জনগণৰ কাৰণে ৰৈ যাব। সেই কাৰণে তেখেতে প্ৰস্তাৱ কৰিছে এই বাজেটত নতুন কৰ কাটলৰ প্ৰস্তাৱ থাকিব লাগিছিল। মই তেখেতৰ লগত এটা কথাত একমত পূজিপতি আৰু অৰ্থনীতিত ই দুটা স্তৰ আছে। এই স্তৰ দুটাত প্ৰত্যক্ষ আৰু পৰোক্ষ দুটা কৰ আছে। আন কৰ আৰু শুল্ক কৰ এই দুটা ৰাজ্য চৰকাৰৰ বাহিৰত। বাকী যি কৰ এই প্ৰত্যক্ষ কৰে আমাৰ জনসাধাৰণৰ ওপৰত বোজা জাপি দিয়ে। সেই কাৰণে এই কৰ আজি কোন সকলে দিয়ে। আজি যি সকল ধনী মানুহ, যি সকল পুজিপতি, যি সকল আদ্যবন্ত সেই সকলে এই কৰ বিলাক দিয়ে। বাকী কৰ আমাৰ জনসাধাৰণৰ আছে তেখেত সকলে এই কৰৰ প্ৰায় ৬১ শতাংশ দিব লাগে। চৰকাৰী হিচাব মতে এইটো কোৱা হৈছে যে প্ৰত্যক্ষ কৰ আৰু ৰাজহ কৰৰ পৰা ১ টকা ১ পইচা দিব লাগে। ৩৯ শতাংশ সেই কৰ অন্যান্য শিতানৰ পৰা আহে। আজি প্ৰত্যক্ষ কৰেই হওঁক বা পৰোক্ষ কৰেই হওঁক জনসাধাৰণৰ ওপৰত কৰৰ বোজা জাপি দিয়ে। আজি এই বাজেটত নতুন কৰৰ প্ৰস্তাৱ হোৱা নাই। এই কথা মাননীয় অৰ্থমন্ত্ৰী মহোদয়ে বিশেষ বিবেচনা কৰে যেন। এই বাজেটত কৰ মঞ্জুৰীৰ বাজেট হিচাব ডাঙি ধৰিছে। তাৰ বাবে তেখেত যোগ্য। তেখেতক শলাগ লৈছো।

★Speech not corrected.

Mr. Deputy Speaker : লাহন ডাঙৰীয়াই কালিলৈ আৰম্ভ কৰিব
The House stands adjourned till 10 A. M. on Saturday the 16th of March, 1985.

## ADJOURNMENT

The House then rose at 11-30 A. M. and stood adjourned till 10 A. M. on Saturday, the 16th March, 1985.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

Dated Dispur :
The 15th March, 1985.

AGP. (Mini) L.A. 45/87=1500=25-8-87.